চান্দমামা

ছেপটেমবাৰ ১৯৮৯


Ramanand Sagar's
Ramayan
PHOTO COMICS
12 volumes. In Hindi and English
Ramanand Sagar's
Ramayan
Legend has it that a herb gave new life to man.
ZANDU
Rs. 5/- each
Published by
CHANDAMAMA VIJAYA COMBINES
188, N.S.K. Salai, Vadapalani, Madras-600 026.
Under licence from
SAGAR ENTERPRISES
Natraj Studios, 194, Andheri Kurla Road, Bombay-400 069.
Soon in Bengali, Oriya, Kannada, Tamil and Telugu
Vol. No. 2 now available at news stand

ধৰিলেৰা তোমাৰ বন্ধুক নাইকিয়া হোৱাৰ আগতেই!

এইজন হেণ্ডীবয়ে
একেবাৰে চুমুকৰ দৰে টানিব দেই !
আৰু তেও আহিব বিনামূলীয়াকৈ !
25টা হেণ্ডী প্লাষ্ট ষ্ট্ৰীপৰ
প্ৰত্যেকটো পেকতে ।
তেওৰ কামবোৰ কি যে মজাৰ !
ফ্ৰিজতো লাগি যাব বা ষ্টীল
কাপবৰ্ডতো । আৰু তোমাৰ
কথা শুনি থাকিব ।
তোমাৰ বাবে তেও তোমাৰ
ছবিবোৰ আৰু কাৰ্ডবোৰো
ৰাখিব পাৰিব ।
আৰু তুমি যদি মাক
হেণ্ডী প্লাষ্টৰ পেকটো কিনিবৰ
বাবে লাগি নাথাকা
তেতিয়াহলে তেও আৰু
এটা কাণ্ড কৰিব ।
তেও নাই কিয়া হৈ যাব !
লৰালৰি কৰা !
তোমাৰ হেণ্ডীবয় চুমুক
আজিয়েই লোৱা ।
এই সুযোগ
পোৱা যাব ষ্টক
থকালৈকেহে ।

বিনামূল্যে!

হেণ্ডীবয় চুমুক
প্ৰত্যেক 25টীয়া পেকৰ লৈতে

বন্ধুৰ দৰে ষ্ট্ৰীপ!

এই সুবিধা নথকাকৈ সাধাৰণভাৱেও হেণ্ডীপ্লাষ্ট পোৱা যাব ।

HTA 1549

শ্ৰী গৌতম গোস্বামী
৭.৯.৮৯

চান্দমামা

ছেপটেম্বাৰ ১৯৮৯

এই সংখ্যাত আছে

অমৰ-বাণী	৭	সময়ৰ শৰ	৩৪
সম্বাদ-বি-সম্বাদ	৯	নেহৰু-উপাখ্যান-৭	৩৫
সাধু আৰু হালোৰা	১০	দুই অদ্ভুত	৩৯
শিঙিৰ মাজৰ মাগুৰ	১১	কৃষ্ণাৱতাৰ	৪৩
আচল বেমাৰ	১৮	বৰমন-কণমন	৫১
পিতা-পুত্ৰ	১৯	সাহৰ দৰব	৫৫
বুদ্ধিৰ বোন্দোৰা	২৫	সোণ পুৰিলে বং	৬০
জয়শীলৰ জুলিবাঁটি	২৭	প্ৰকৃতিৰ বিস্ময়	৬৩

চান্দমামা

খনে: ৩·০০ টকা মাথোন

বছৰেকীয়া বৰঙণি

৩৬·০০ টকা মাথোন

‘জাষ্ট-এ-মিনিট নুড্‌ল’!

যেন মাৰে আদৰ-যত্নেৰে তৈয়াৰী

ছুফু নুড্‌ল জাপানী কাৰিকৰীৰ সুকোমল যত্নেৰে তৈয়াৰী, আজিৰ দিনৰ স্বাস্থ্যসম্মত আহাৰৰ যি সম্পূৰ্ণ উপযোগী। অনুপম স্বাদেৰে ভৰা ছুফু সঁচাকৈয়ে সুবিধাজনক। ছুফু-এতিয়াৰ পৰা এই নতুন জনপ্ৰিয় নুড্‌লটো পৰীক্ষা কৰি চাওকচোন।

অপূৰ্ব উপাদেয় স্বাদ

ছুফু তৈয়াৰ কৰা হৈছে প্ৰাপ্তিসাধ্য নিভাঁজতম ময়দা আৰু ভোজ্য তেলেৰে। ইয়াৰ ছুপাৰ টেষ্টাৰত আছে এনেবোৰ উপাদেয় উপাদান যাৰ ফলত একোতে লোভ সম্ভালিব নোৱাৰি। ছুফু এনে এবিধ সহজ খাদ্য যাক তৈয়াৰো কৰিব পাৰি বৰ সহজে। আৰু স্বাদ ? তাৰ প্ৰমাণতো দিব পাৰে একমাত্ৰ ছুফুৱেই।

অনন্য খাদ্যগুণ

ছুফু অতিশয় পুষ্টিকৰ সম্পূৰ্ণ খাদ্য। ইয়াত কেলোৰিৰ পৰিমাণ অনেক বেছি ; আৰু আছে পৰিমিত কাৰ্বোহাইড্ৰেট আৰু পৰিপূৰ্ণ প্ৰোটিন। হজমো হয় বৰ সহজে। সকলো ধৰণৰ প্ৰাকৃতিক গুণেৰে ই ভৰপূৰ।

জাপানী কৰিকৰীৰ সুকোমল যত্ন

জাপানী প্ৰশিক্ষণত সুশিক্ষিত সুদক্ষ কৰ্মীসকলে কম্পিউটাৰেৰে ইয়াৰ সকলো কাম কৰে ; নিৰলস পৰীক্ষা-নিৰীক্ষা কৰে আৰু অৱশেষত অনুমোদন কৰে। অৰ্থাৎ ছুফু সম্পূৰ্ণভাবে কম্পিউটাৰত তৈয়াৰী—‘মানুহৰ হাতৰ স্পৰ্শহীন’। অভিজ্ঞ খাদ্য-বিশেষজ্ঞসকল ইয়াৰ গুণ সম্পৰ্কে সকলো সময়তে সজাগ থাকে। নুড্‌ল তৈয়াৰীত থাকে নিপুণ কাৰিকৰী বিদ্যাৰ সুকোমল যত্নৰ স্পৰ্শ।

মাৰ পছন্দ!

ছুফু-স্বাদে গুণে সৰ্বোৎকৃষ্ট

WINFIELD/UNI-2/89-ASSAM

Everyday while a new India emerges, the existence and memory of the old one slowly fades.

The once-familiar sounds and sights, the beauty of Indian traditions and values, the ethnic and historical identity of its people, the once prolific art and handicrafts of rural India; a heritage is vanishing. Discover a part of that real India through the pages of The Heritage.



It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

CMP-2155

THE HERITAGE

Annual Subscription: Rs. 120.00

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026.

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্রপাণি * বি নাগিৰেড্ডি

এই মাহৰ 'বেতাল-কথা'ৰ ৰচক হ'ল বিখ্যাত লেখক তথা কাহিনীকাৰ শ্ৰীমনোজ দাস। ধৰ্মশাস্ত্ৰই সদায় সত্য বচনৰ গুণ-কীৰ্তন কৰে। কিন্তু সত্য আৰু অসত্যৰ মূল্য বাস্তৱতাৰ ওপৰত নিৰ্ণীত হয়। এই মূল্যবোধ লৈ ৰচিত 'শিঙিৰ মাজৰ মাগুৰ' শীৰ্ষক কাহিনীভাগত এই কথাৰ বেদ-বাখান উলিউৱা হৈছে। কোৱা বাহুল্য, এই সংখ্যাৰ অন্যান্য কাহিনীও যথেষ্ট শিক্ষণীয় আৰু দুৰন্ত আকৰ্ষণীয়।

অমৰবাণী

উদয়ে সৱিতা ৰক্তো ৰক্তাশ্চাস্তময়ে তথা।
সম্পত্তৌ চ বিপত্তৌ চ মহতামেক ৰূপতা॥

[উদয় তথা অস্ত যোৱাৰ সময়ত সূৰ্য্য ঘূৰণীয়া আৰু ৰঙা বৰণৰ হয়। এনেকৈয়েই সম্পদ আৰু বিপদৰ সময়তো মহান ব্যক্তিসকলে সততে সম ৰূপত শান্তিপূৰ্ণ আচৰণ কৰে।]

বছৰ ঃ ১৪ ছেপটেম্বৰ ১৯৮৯ সংখ্যা ঃ ৬

খনে ঃ ৩·০০ টকা ঃ ঃ বছৰেকীয়া বৰঙণি ঃ ৩৬·০০ টকা

CHITRA

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

চান্দমামাৰ সম্বাদ-বি-সম্বাদ



ঘাইমুৰীয়া ঘড়ী…

এদল ঘড়ী-বিশেষজ্ঞই ৯ বছৰ ধৰি নিৰ্মাণ কৰা পৃথিবীৰ আটাইতকৈ মূল্যবান হাতঘড়ী এটা জেনিভাত দুই মিনিটৰো কম সময়ত ২০ লাখ ৭৪ হেজাৰ ডলাৰ মূল্যত নীলামত বিক্ৰি হ'ল। এটি ঘড়ী-নিৰ্মাণকাৰী প্ৰতিষ্ঠানৰ ১৫০ বছৰীয়া উৎসৱ উদযাপন উপলক্ষ্যে এই হাতঘড়ীটো নিৰ্মাণ কৰা হৈছিল।

দীঘ-দীঘলী মটৰগাড়ী!

ফিনলেণ্ডত নিৰ্মিত পৃথিৱীৰ আটাইতকৈ দীঘল মটৰগাড়ী এখন হেলছিংকিত প্ৰথমবাৰৰ বাবে প্ৰদৰ্শিত হৈছে। এই মটৰগাড়ীখন দীঘলে ২১'৯৩ মিটাৰ। এই বছৰৰ জানুৱাৰিত জাপানে ২১ মিটাৰ দীঘল মটৰগাড়ী নিৰ্মাণ কৰিছিল, যিখন মটৰৰ কথা গিনেছ বুকত ওলাইছে।



বিড়াল-তপস্বী

যোৱা এবছৰ ধৰি প্ৰতিদিন এটা বিড়ালীয়ে কুৱালা লামপুৰস্থ এটি বৌদ্ধমঠলৈ ছেদ-ভেদ নোহোৱাকৈ অহা-যোৱা কৰিছে। কিন্তু এয়া কোনো খবৰ নহয়। খবৰ হ'ল এয়ে যে সেই বিড়ালীয়ে পিছঠেঙৰ ওপৰত বহি আগঠেংদুখন হাতযোৰ কৰাৰ দৰে কৰি জপ-তপ কৰিছে। মানুহ ভক্তসৱ যিমান সময়লৈ থাকে, বিড়ল-তপস্বীও সিমান সময়লৈ থাকে তাত!

শ্ৰেষ্ঠতম ৰসিকপ্ৰবৰ…

বেলগ্ৰেডৰ মিকগ্লাভ ল'ভিক নামৰ ৰসিকপ্ৰবৰে একেৰাহে ৫৫ ঘণ্টা জুৰি শ্ৰোতাসকলক হাস্যমুখৰ কৰি ৰখাৰ বিশ্বৰেকৰ্ড কৰাৰ অন্তত আৰু কেতিয়াও কোনো ৰসিকতা কৰা নাই!

সাধু আৰু হালোৱা

গছে-বনে ভৰপুৰ গাঁওখনত এগৰাকী সাধু ক'ৰবাৰপৰা আহিল আৰু গাঁৱৰ পুখুৰী এটাৰ পাৰত থকা বৰগছ এজোপাৰ তলত হৰিণাৰ ছাল পাৰি বহিল। গাঁৱৰ ৰাইজে সাধুবাবাক ফল-মূল ইটো-সিটো দি থাকিল আৰু সাধুবাবা এইদৰে চলি থাকিল।

সাধুৱে গাঁৱৰ ৰাইজক ক'লে, "বোপাসকল, তোমালোক বেলি মাৰ যোৱাৰ তিনি-চাৰি ঘণ্টাৰ আগতে মোৰ ওচৰলৈ আহিবা. মই তোমালোকক ভক্তি তথা বৈৰাগ্যৰ বিষয়ে পানী পানীকৈ বুজাই ক'ম।"

কিন্তু গাঁৱৰ ৰাইজৰ প্ৰায়ভাগেই হালোৱা, আৰু বাৰিষকালত হাল নাবাই ভকতিৰে মুক্তি লোৱাৰ সময়বো সিহঁতৰ ক'ত ওলায়? গতিকে সাধুৰ কথাত মাত্ৰ এজন গঞা সাধুৰ কাষলৈ আহিল। ইও আছিল এজন সাধাৰণ হালোৱা।

দেখি সাধু হতাশ হ'ল। সাধুৱে ক'লে, "এই গাঁৱৰ ৰাইজক ভক্তিযোগ-মুক্তিযোগৰ কথা বহলাই-বুজাই কোৱাৰ মোৰ মন আছিল। কিন্তু—মাত্ৰ তুমিহে আহিলা! মই তেন্তে তোমাকেই কওঁ নে? কি বোলা?"

সাধুৰ কথাৰ উত্তৰত হালোৱাই ক'লে, "বাবাজী, মই গৰুবিলাকৰ কাৰণে ঘাঁহ-পাত কাটি-বুটলি গোহালিলৈ কঢ়িয়াই লৈ যাওঁ, আৰু গোহালিত তেতিয়া আনকি এটা গৰু থাকিলেও তাক খাবলৈ দিওঁ।"

হালোৱাৰ উত্তৰ শুনি সাধু সন্তুষ্ট হ'ল আৰু দুঘণ্টা ধৰি ভক্তি তথা বৈৰাগ্যৰ কথা অনৰ্গল কৈ গ'ল। কোৱাৰ অন্তত বৈ সুধিলে, "কোৱা, কেনে পালা?"

হালোৱাই নম্ৰতাৰে ক'লে, "বাবাজী, মই কিন্তু গোহালিৰ মাত্ৰ এটা গৰুকে আটাইখিনি ঘাঁহ-পাত খাবলৈ নিদিওঁ।" এই বুলি কৈ, হালোৱাই উভতি খোজ ল'লে।



শিঙিৰ মাজৰ মাগুৰ

এসময়ত চম্পকদেশৰ ৰজা আছিল বিভূতি-মিশ্ৰদেৱ। প্ৰজাবৰ্গৰ মতে ঃ সত্যধৰ্ম পালনৰ ক্ষেত্ৰত ৰজা বিভূতি-মিশ্ৰদেৱক তাহানিৰ ৰজা হৰিশ্চন্দ্ৰৰ সমতুল্য বা তাতোকৈ অধিক বুলি জ্ঞান কৰিব পাৰি।

*

কথাটোৰে গৈ গৈ দেৱলোক পালেগৈ। এদিন দেৱতাসকলৰ এক সন্মিলনত এগৰাকী ৰজাই ক'লে, "প্ৰাচীনকালত বিশ্বামিত্ৰ ঋষি প্ৰমুখই ৰজা হৰিশ্চন্দ্ৰৰ সত্যবাদিতাৰ পৰীক্ষা লৈছিল। মোৰ ধাৰণা, মৰ্ত্যৰ অন্যতম ৰজা মহাৰাজ বিভূতিমিশ্ৰৰ সত্যধৰ্মিতাৰো পৰীক্ষা লোৱা আৰু এই পৰীক্ষাত উত্তীৰ্ণ হ'লে সাধুবাদ জ্ঞাপন কৰা আৱশ্যক।"

তেওঁৰ প্ৰস্তাৱত দেৱতাসকলে সমৰ্থন জ্ঞাপন কৰিলে আৰু তেতিয়াই তেওঁলোকৰ মাজৰপৰা এগৰাকী যথা যোগ্যৱান দেৱতাক দূত ৰূপে মহাৰাজ বিভূতিমিশ্ৰৰ চম্পকদেশলৈ প্ৰেৰণ কৰিলে।

*

ভূ'লোকলৈ গৈ এইগৰাকী দূতে নিজক সত্যমূৰ্তি বুলি প্ৰচাৰ কৰি থাকিল। লগতে আৰু প্ৰচাৰ কৰি থাকিল যে তেওঁ হ'ল নামে-কামে সত্যমূৰ্তি; কিয়নো, সত্যধৰ্ম পালনকাৰী হিচাপে এই ভূলোকত তেওঁৰ সমান আন এজনো বিচাৰি পাবলৈ নাই। সত্যমূৰ্তিয়ে এই কথা কৈৱল কৈয়েই ক্ষান্ত নহ'ল, তেওঁ এই কথা প্ৰমাণ কৰিবলৈকো সাজু হ'ল।

*

সত্যমূৰ্তি নামৰ দেৱদূতে চম্পকদেশৰ



ভালেমান প্ৰজাক গোটাই লৈ তেওঁ-লোকৰ আগত ক'লে. "মোৰ কাণত দিব্যশক্তিয়ে সদায় কিবাকিবি কৈ থাকে। এতিয়া দিব্যশক্তিয়ে কৈছে যে—ভূষণ সিংহৰ ঘৰৰ পিছফালে থকা নিম এজোপাৰ তলত ধন-ৰত্ন পুতি থোৱা হৈছে।"

মানুহবিলাকে সত্যমূৰ্তিৰ এই কথাৰ সত্য বুজ ল'বলৈ ভূষণ সিংহৰ তালৈ গৈ নিমজোপাৰ তলত মাটি খান্দি সঁচা-সঁচিকৈ পুতি থোৱা ধন-ৰত্ন পোৱা হ'ল।

*

এই ঘটনাৰ পাছত সত্যমূৰ্তি শিণ্ডিৰ মাজৰ মাণুৰহেন হৈ উঠিল। মানুহে তেওঁক দেৱতা দেখা দি থাকিল।

কিন্তু — সত্যমূৰ্তিয়ে সেই বুলি সকলোকে তেওঁৰ কাষ চাপিবলৈকো নিদিছিল। চম্পকদেশৰ ৰাজকীয় আইন মতে জাতি বৰ্ণ ধৰ্ম ইত্যাদি কোনো ভেদাভেদ নোহোৱাকৈ মানৱধৰ্ম পালন কৰিব লাগে। এই আইন অমান্যকাৰীক কঠোৰ দণ্ড বিধান কৰা হ'ল। চম্পক-দেশত এই অস্পৃশ্যতা হ'ল এক ক্ষমাৰ অযোগ্য তথা ৰাজদণ্ডযোগ্য অপৰাধ।

*

কিন্তু এতিয়া, সত্যমূৰ্তিয়ে দেখ দেখকৈ দেশৰ বিধানৰ বিৰোধিতা কৰাত প্ৰতিখন গাঁৱতে অচ্ছুৎ তথা অস্পৃশ্যইঁতক বেলেগ কৰা আৰম্ভ হৈ পৰিল।

আৰু এই বিষম বাতৰি পাই ৰজাই সত্যমূৰ্তিক তেওঁৰ লগত লগত তুৰন্তে সাক্ষাৎ কৰিবলৈ টানকৈ আদেশ দি ৰাজ-কৰ্মচাৰী এজনক সত্যমূৰ্তিৰ ওচৰলৈ পঠালে।

*

সত্যমূৰ্তিয়ে ৰাজকৰ্মচাৰীজনক ক'লে, "মই শাইজৰ সেৱা কৰি ফুৰা এজন সত্যপুৰুষ। যদি মোৰ লগত মহাৰাজে আলোচনা-বিলোচনা লৈ ইমানেই আগ্ৰহী, তেওঁ নিজেই মোৰ ওচৰলৈ নাহে কিয়?"

কটকীৰ মুখে এই বাৰ্তা শুনি ৰজা

বিভূতিমিশ্রদেৱে ভাবিলে যে সত্যমূৰ্তি নিশ্চয় সাধাৰণ মানুহ নহয়। গতিকে—তেওঁ সত্যমূৰ্তিৰ আশ্ৰমলৈ গ'ল। আশ্ৰমত তেতিয়া মানুহৰ দলদোপ-হেন্দোলদোপ আৰু এজোপা গছৰ তলত সত্যমূৰ্তি হৈ আছিল ধ্যানমগ্ন। সত্যমূৰ্তিৰ দেহৰপৰা দিব্যতেজ ওলাই আছিল। তথাপি মহাৰাজ বিভূতিমিশ্রদেৱে সত্যমূৰ্তিক প্ৰণাম নকৰিলে।

ৰজা বিভূতিমিশ্রদেৱে সত্যমূৰ্তিক প্ৰণাম নকৰাত ধ্যানভংগ হোৱা সত্যমূৰ্তিয়ে ৰজাক মূৰত ধৰা মাতেৰে ক'লে, "হে ৰজা, ৰজা হোৱাহেতুকে তুমি দেখিছোঁ গুৰু-গোসাঁই নমনা হৈ উঠিছা। সাধু পুৰুষক যে প্ৰণাম কৰিব লাগে—সেই যুগ যুগ ধৰি চলি অহা প্ৰথাটোৰ কথা পাহৰিলাইনে?"

ৰজাই এই কথা শুনি হাঁহিলে আৰু ক'লে, "মানুহৰ মাজত ভেদ সৃষ্টিকাৰী ক'ৰবাৰ কোনোবা কদাপি সাধুপুৰুষ হ'ব নোৱাৰে। অন্ততঃপক্ষে মই এনেহেন কোনোবাজনক সাধুপুৰুষ বুলি মান্য কৰিব নোৱাৰোঁ। আপোনাৰ দৰে অস্পৃশ্যতাৰ নীতি প্ৰচাৰকাৰীক মই প্ৰণাম কৰিব নোৱাৰোঁ।"

"হাৰে পাগল!" সত্যমূৰ্তিয়ে কৈ উঠিল, "ময়ো অস্পৃশ্যতাৰ সমৰ্থক নহওঁ। কিন্তু আমাৰ বেদ-পুৰাণ তথা ইতিহাসেও

অস্পৃশ্যতাক যে কোনো-কাহানিও তথা অসমৰ্থনীয় বুলি কোৱা নাই মই সেইবোৰ কথাকে ৰাইজক বুজাইছোঁ।”

“আমাৰ বেদ-পুৰাণ তথা ইতিহাসে সচ্চৰিত্ৰতাকহে সমৰ্থন কৰে। জন্মৰপৰা নহয়, আচাৰ-আচৰণৰপৰাহে জাত-কুলৰ বিচাৰ হ'ব। সচ্চৰিত্ৰ ব্যক্তি আনকি নাস্তিক হ'লেও তেওঁক মহান বুলি ক'বই লাগিব। আপোনাৰ দৰে স্বাৰ্থান্বেষী মানুহে বেদ-পুৰাণৰ, বা ইতিহাসৰো অপব্যাখ্যাহে দাঙি ধৰিছে। আমাৰ দেশৰ বিধান মতে—আপুনি আপোনাৰ কৃত এই অস্পৃশ্যতা প্ৰচাৰৰ অপৰাধ মানি লওক।” ৰজাই ক'লে।

সত্যমূৰ্তিয়ে তীক্ষ্ণ দৃষ্টিৰে ৰজা বিভূতি-মিশ্ৰলৈ চাই ক'লে, “মই যে কিমান দিব্যশক্তিসম্পন্ন পুৰুষ' এতিয়াই মই তাৰ প্ৰমাণ দিম।” এই বুলি কৈয়েই সতামূৰ্তিয়ে আকাশলৈ হাত এখন দাঙি দিয়াৰ লগে লগেই আকাশৰপৰা সৰ্পবৃষ্টি হৈ থাকিল, আৰু সেই সাপবোৰ চাওঁতে চাওঁতে কুঁহিয়াৰলৈ ৰূপান্তৰিত হৈ থাকিল আৰু সভ্যমুৰ্তিয়ে তাত থকা অসংখ্য মানুহক সেই কুঁহিয়াৰ খাবলৈ কৈ থাকিল। তাৰ পাছত হাতেৰে শূন্যতে এটা বাঘ সৃষ্টি কৰিলে, আৰু বাঘটো গৰ্জি উঠাৰ লগে লগে সত্যমুৰ্তিয়ে বাঘটোক চুই দিলে, আৰু বাঘটো সেই ভয়ংকৰ তৎক্ষণাৎ মেকুৰী হৈ পৰিল!

এইবোৰ আসৰিশ ক'ওলৈ চাই ৰজাই ক'লে, “আপোনাৰ অদ্ভুত ক্ষমতা থাকিব পাৰে; কিন্তু তাত দিব্যশক্তিৰ অভাৱ আছে। প্ৰকৃত দিব্যশক্তি থকাহেঁতেন আপুনি মানুহৰ মাজত অস্পৃশ্যতাৰ সমৰ্থনত প্ৰচাৰ নকৰিলেহেঁতেন। নিশ্চয় তোমাক কোনোবা দুষ্টাত্মাই আমাৰ দেশলৈ এই দেশ বিনাশৰ অৰ্থে পঠাইছে, আৰু কিছুমান অলাগতিয়াল ক্ষমতাৰ কাৰচাজি তথা ভেলেকীবাজী দেখুৱাই তুমি আমাৰ

ইয়াত অস্পৃশ্যতাৰ তথা মানুহৰ মাজত সংকীৰ্ণতাৰ প্ৰচাৰ কৰিছা।" .

"হে ৰাজন্, তুমি এই বাচালতা বন্ধ কৰা।" সত্যমূৰ্তিয়ে অগ্নিমূৰ্তি ধৰি পুনৰ ক'লে, "হে ৰজা! সত্যপালনত মই ৰজা হৰিশ্চন্দ্ৰকো চেৰ পেলাব পাৰোঁ। ইয়াত উপস্থিত থকা ৰাইজেই মোৰ এই কথাৰ সাক্ষী দিব পাৰিব।"

"চোৰা, মই তোমাৰ মূৰ্তি দেখি চূৰ্তি হেৰাম বুলি নাভাবিবা। আৰু ৰাইজে যিমানেই তোমাৰ হৈ নকওক, প্ৰত্যক্ষ প্ৰমাণ নোপোৱাকৈ তোমাৰ সত্যপালনতো মই বিশ্বাস নকৰোঁ।" মহাৰাজ বিভূতিমিশ্ৰদেৱে অপাৰ ক্ষমতাৰ তথা অলৌককত্বৰ অধিকাৰী সত্যমূৰ্তিক ক'লে।

ৰজাৰ কথাত হো হোৱাই হাঁহি উঠি সত্যমূৰ্তিয়ে ক'লে, "ঠিক আছে। মোৰ সত্যপালনৰ দেখ দেখ প্ৰমাণ পাবলৈ তোমাক মই উপায় এটা কৈ দিছোঁ। তুমি পূৰা এটা দিন অস্পৃশ্যইঁতৰ মাজত কটাবাগৈ। সেই পাপ-ৰ ফল যেনেকুৱা হ'ব, তুমি ৰাতিৰ পৰতে সেই ফল সপোনত দেখিবা। কালিলৈ এই মানুহখিনিৰ আগত তুমি তোমাৰ সপোনৰ কথা সঁচাসঁচিকৈ ক'বাহি।"

"ভাল কথা, ঠিক আছে, মই নিশ্চয় ক'মহি। আন যিয়েই নহওক, এই দৰে কেৱল মোৰ বা আমাৰ ৰাইজেৰে নহয়,



তোমাৰো চকু মুকলি হ'ব।" ৰজাই সত্যমূৰ্তিক ক'লে।

"শুনা—" সত্যমূৰ্তিয়ে ৰজাক ক'লে' "যদি মিছাকৈ কিবা কৈছা, তৎক্ষণাৎ তোমাৰ গাত ভয়ানক চৰ্মৰোগ হ'ব।"

"তেনে অৱস্থাত মই এই দেশত মুহূৰ্ত্তমানো আৰু নাথাকোঁ, তেতিয়াই অদৃশ্য হৈ যাম।" সত্যমূৰ্তিয়ে ক'লে।

তাৰ পাছত ৰজা অস্পৃশ্যহঁতৰ অঞ্চললৈ গ'ল। তাত অস্পৃশ্যহঁতৰ দুৰাৱস্থা দেখি তেওঁ বিচলিত বোধ কৰিলে। তেওঁ কাতৰ কণ্ঠেৰে সিহঁতক ক'লে, "আমাৰ দেশত তোমালোক দেখিছোঁ মানুহৰ পৰিৱৰ্তে জন্তুহেন হৈ আছা। দেশৰ ৰজা হৈ এই অৱস্থা সহিব নোৱাৰিছোঁ। অহা কালিৰেপৰাই তোমালোকে দেশৰ অন্যান্য মানুহৰ দৰে সমভাৱে জীৱন যাপন কৰিবা।"

কিন্তু অস্পৃশ্যহঁতে ভয়াৰ্ত কণ্ঠেৰে কৈ উঠিল, "প্ৰভু! আমাৰ জীৱন যেনেকৈয়েই নহওক, আমাৰ ভাত মুঠিৰ আকাল নাই। আমাৰ বিশ্বাস—সত্যমূৰ্তি হ'ল দেৱতাৰ অংশ। আমাৰ কাৰণে আপুনি কষ্ট নকৰিলেও হ'ব। আমাক এইদৰেই জীয়াই থাকিবলৈ দিয়ক।"

কিন্তু ৰজাই সিহঁতৰ কথা নামানিলে। ৰজাই সিহঁতে যি খাদ্য খায়, সেই খাদ্যকে খালে। ৰাতি সিহঁতৰ ঘৰতে টোপনি যাওঁতে ৰজাই তেওঁলোকৰ কুলদেৱীক সুঁৱৰি ক'লে, "হে আই গোসাঁনী! প্ৰজাবৰ্গয়েই হ'ল মোৰ সৰ্বাধিক মৰমৰ। এতেকে, হে আই, ৰাতিৰ পৰতে যাতে মই সুন্দৰ এটা সপোন দেখোঁ তাৰ বাবে কৃপা কৰা আই!"

কিন্তু সপোনত এগৰাকী দিব্যপুৰুষ দৰ্শন দিলে আৰু ক'লে, "হাৰে পাগল! পৃথিৱীতে নৰকৰ সৃষ্টি কৰিবলৈ স্বৰ্গবাসী-সকলেহে অস্পৃশ্যতা তথা অস্পৃশ্যৰো সৃষ্টি কৰিছে। নহ'লে পাপীহঁতে আমাৰ স্বৰ্গলৈকে সোমাই পৰিবৰ আশংকা।

কিয়নো নৰকতো ঠায়ে নোজোৰা হৈছে, আৰু পাপীহঁতৰ কাৰণে নৰক-যাতনা ক্ৰমে সহনীয় হৈ উঠাত মানুহে পাপ কৰাত আৰু বেপৰোৱা হৈ উঠিছে। সেই দেখি—এই অস্পৃশ্যতাৰূপী জীৱন্ত নৰকৰ সৃষ্টি কৰা হৈছে এই পৃথিৱীত। যি কি নহওক—আগলৈ কেতিয়াও স্বৰ্গবাসীৰ বিধান শুধৰাবলৈ নাযাবা। এইবাৰলৈ—প্ৰথমবাৰ বুলি তোমাক ক্ষমা কৰা হ'ল। আৰু তথাপি যদি কথা নমানা—তোমাৰ গাত ভয়ংকৰ চৰ্মৰোগ হ'ব।"

হে দিব্যপুৰুষ! যি স্বৰ্গবাসী এনেবোৰ কথা শিকায় — তেনেবোৰ মানৱতা-বিৰোধী কাম কদাপি নকৰোঁ, সেই স্বৰ্গবাসী দেৱতালৈকো ভ্ৰূক্ষেপ নকৰোঁ।" ৰজা বিভূতিমিশ্ৰদেৱে ক'লে।

তাৰ পাছত ৰজাই টোপনিৰপৰা সাৰ পালে আৰু সপোনৰ কথা সুঁৱৰি ক'লে, "আই কুলদেবী! প্ৰজাৰ মংগলৰ বাবে মই সত্যমূৰ্তিক মিছা কথা ক'বলৈ মনস্থ কৰিছোঁ। তাৰ কাৰণে লাগিলে মোৰ ভয়ানক চৰ্ম-ব্যাধি হওক। কিন্তু সেই চৰ্ম-ব্যধি যাতে আনে দেখা নাপায়, হে আই, মোক সেই বৰ প্ৰদান কৰা।"

তাৰ পাছত ৰজাই সত্যমূৰ্তিক ক'লেগৈ ৰাতি স্বয়ং নাৰায়ণ সপোনত দেখা দিছিল আৰু তেওঁ ক'লে যে সত্যমূৰ্তি হ'ল ৰাক্ষসৰ অংশ। ৰাক্ষসী-মায়াৰে সত্য-মূৰ্তিয়ে ৰাইজক আভুৱা ভাঁৰিছে।

এই কথা শেষ হোৱাৰ লগে লগে অদৃশ্য হ'ল, আৰু ৰাইজে ৰজাৰ সত্যমূৰ্তি জয়ধ্বনি দিলে। ৰজা বিভূতিমিশ্ৰৰ গাতো কোনো প্ৰকাৰৰ চৰ্মৰোগ নহ'ল।

সেই নিশা দিব্যপুৰুষজনা পুনৰ সপোনত দেখা দি ৰজাক কৈছিল, "হে ৰজা! অস্পৃশ্যতা ধূৰ্ত মানুহৰহে সৃষ্টি, দেৱতাৰ সৃষ্টি নহয়। তোমাৰ সততাৰ তথা সত্যধৰ্মিতাৰ পৰীক্ষাহে লোৱা হৈছিল।



আচল বেমাৰ

ধনবান-মান্যমান শিৱপ্ৰসাদ ডাঙৰীয়া টান বেমাৰত পৰিল। পৰি তেওঁ বৈদ্যক ক'লে, "এই হাৰামৰ নেগুৰ বেমাৰটোৱে কেৱল দেহিডুখৰিকে জীৰ্ণ কৰা নাই, লগে লগে মস্তিষ্ককো বিদীৰ্ণ কৰিছে। তাৰ ফলত ক'বলগীয়া কথাখিনি পাহৰি পেলাওঁ, আৰু নক'বলগীয়াবোৰ কৈ পেলাওঁ।"

"আপুনি চিন্তিত নহ'ব। মই চিকিচ্ছা কৰি আপোনাক ভাল কৰি তুলিম।"

"সঁচ্চা! যদি সঁচাকৈয়ে ভাল কৰিব পাৰা, মই তোমাৰ চিকিৎসালয়ৰ কাৰণে একলাখ টকা দিম।" শিৱপ্ৰসাদ ডাঙৰীয়াই বৈদ্যক কথা দিলে।

কিছুদিনৰ চিকিৎসাৰ অন্তত ধনবান শিৱপ্ৰসাদ বেমাৰৰপৰা ভাল হৈ উঠিল। এদিন তেওঁক পুনৰ পৰীক্ষা-নিৰীক্ষা কৰাৰ অন্তত ইকথা সিকথাৰ মাজত বৈদ্যই শিৱপ্ৰসাদক ক'লে, "ডাঙৰীয়া, আপুনি যে কৈছিল—চিকিৎসালয়ৰ বাবে একলাখ টকা দিব—কথাটো আপোনাক সোঁৱৰাই দিলোঁ মাথোন।"

"সঁচ্চা—? হেই চোৱা! মোৰ আচল বেমাৰ সেইটোৱেই। ক'বলগাখিনি ক'বলৈ পাহৰি পেলাওঁ আৰু নক'বলগীয়াবোৰ কৈ পেলাওঁ।" ধনবানে অবাক বৈদ্যক ক'লে।



পিতা-পুত্ৰ

৩

সত্যনাৰায়ণ
যেতিয়া ঘৰলৈ উভতি
আহিল, তেতিয়া সাঁজ লাগি
ভাগিছে। এন্ধাৰত কোনোবাই মহা
ফূৰ্তিৰে সুহুৰিয়াই আছিল। শুনি সত্যনাৰায়ণৰ
মনতো ফূৰ্তিৰ জোৱাৰ উঠিল। প্ৰত্যুত্তৰত সি-ও সুহুৰিয়াবলৈ
চেষ্টা কৰিলে; কিন্তু নোৱাৰিলে সি। আৰু নোৱৰাৰ কাৰণে তাৰ
খং উঠিল। সি চিঞৰিলে, “হেই ৰংগনাথ!” ৰংগনাথে সেই ফাললৈ চালে
কিন্তু সত্যনাৰায়ণলৈ নাচালে। সেই এন্ধাৰৰ মাজত ৰংগনাথৰ চকুৰ আগত স্থূলকায়
তপা বগামোচ থকা চচমা পিন্ধা কোনোবা এজনকহে দেখা পালে।
“হাৰে ৰংগনাথ, ইয়াত কি চাই আছা?” সত্যনাৰায়ণে
ৰংগনাথক সুধিলে। তাৰ ওচৰ চপা মানুহজন
যে সত্যনাৰায়ণৰ বাপেক সেই
কথাটো গমি ৰংগনাথৰ
ধাতু উৰিল।

ঘৰৰ ভিতৰলৈ সোমাই গ'ল।

সেই নিশা সত্যনাৰায়ণে তাৰ দেউতাকৰ কাষত শুইছিল।

শুই শুই সত্যনাৰায়ণে ভাবি থাকিল ঃ এই জীৱন কিন্তু বঢ়িয়া। জেপত লাগে-মানে ধন আছে, সকলোটিয়েই খাতিৰ-বাতিৰ কৰিছে। যদিও বন্ধুজন সাপৰ মূৰ ছিঙা লৰ দি পলাল, তথাপি, এনেহেন জীৱনক বঢ়িয়া বুলি ক'বই লাগিব। সৰু হৈ বৰ্তি থকাতকৈ বেয়া আৰু একো নাই। কিয়নো—পৃথিৱীখন আচলতে ডাঙৰহঁতৰ বাবেহে।

সত্যনাৰায়ণৰ চকুত আজি টোপনিয়েই নাই, বিছনাত বাগৰিহে থাকিল। কিন্তু সূৰ্য্যপ্ৰাসাদ বিছনাত দীঘল দিয়া মাত্ৰকে নিহ্‌পালি দিলে।

বেলি ওলোৱা এঘণ্টামান হ'ল ; কিন্তু সূৰ্য্যপ্ৰসাদৰ টোপনি এতিয়ালৈকো নুটুটিল। তিমানতে এটা পঢ়াশলীয়া চিনাকি ল'ৰা আহি ওলালহি। ল'ৰাটোৱে সূৰ্য্যপ্ৰসাদৰূপী সত্যনাৰায়ণক ক'লে, "মহাশয়, সত্যনাৰায়ণক মাতি লৈ যাবলৈ আমাৰ পণ্ডিতে মোক পঠালে।"

সূৰ্য্যপ্ৰসাদ সাৰ পাই গ'ল। সদায় মাতি অহাৰ দৰে ৰান্ধনি মানুহজনীক মাতিলে। কিন্তু মাত শুনিও ৰান্ধনি

ৰংগনাথে তাত সত্যনাৰায়ণৰ সলনি সূৰ্য্যপ্ৰসাদক দেখা পাই—সেই সুহৃৰিৰ সংকেতৰ কথা সূৰ্য্যপ্ৰসাদেও কেনেবাকৈ জানি গ'ল বুলি ভাবি এন্ধাৰৰ মাজেদি পলাই যাবলৈ ধৰিলে।

"আৰে—আৰে — পলাইছা কিয় ? মই,—মই তোমাৰ বন্ধু !" এই বুলি কৈ কৈ সত্যনাৰায়ণ চিঞৰি থাকিল ; কিন্তু ৰংগনাথ মৰোঁ জীওঁকৈ পলাল।

"হাৰে পণ্ডিতজী ! আপুনি আপোনাৰ ল'ৰাটোক মাতি আছিলনে কি ?" কোনোবা এজনে দৌৰি থকা সত্যনাৰায়ণক বাধা দিলে ; কিন্তু সত্যনাৰায়ণ চাঁতকৰে

মানুহজনীয়ে মন নকৰা হ'ল। আৰু ইতিমধ্যে তেওঁৰ পুতেকৰ পঢ়াশালীয়া সহপাঠী ভিতৰলৈ সোমাই আহিল আৰু সত্যনাৰায়ণৰূপী সূৰ্য্যপ্ৰসাদক ক'লে, "ঐ, তোক পণ্ডিতে তৎক্ষণাৎ মাতিছে।

এই কথা শুনি সূৰ্য্যপ্ৰসাদৰ মনত দুখো উপজিল খঙো উঠিল।

"ছিঃ ছিঃ ছিঃ তুমিনো কোন? ইয়াৰপৰা এতিয়াই গুচি যোৱা। তোমাৰ শিক্ষকক মোৰ লগত দেখা কৰিবলৈ কোৱাগৈ যোৱা।" সূৰ্য্যপ্ৰসাদে ক'লে।

কিন্তু শেহান্তৰত বাধ্যত পৰি সূৰ্য্য-প্ৰসাদ পঢ়াশালিলৈ যাবলগীয়া হ'ল। পঢ়াশালিৰপৰা অহা ল'ৰাটো আছিল বেছ চতুৰ। তাৰ নাম শুনিলেও বহুতো ল'ৰাই ভয়তে কঁপিছিল। কোনোবা ল'ৰা পঢ়াশালিলৈ নহা হ'লে পণ্ডিতে এই চালাক ল'ৰাটোক পঠিয়ায়েই ধৰি আনে। গতিকে—আজি সূৰ্য্যপ্ৰসাদেও তাৰ হাত সাৰিব নোৱৰা হ'ল।

সত্যনাৰায়ৰূপী সূৰ্য্যপ্ৰসাদক দেখা পায়েই পণ্ডিতে বেতডাল দাঙি তাৰ দুখন হাতৰ তলুৱাত চাৰিমাৰকৈ শোধাই দুই আঙুলিৰ ফাঁকত সৰু কাঠ এডোখৰ সুমুৱাই বজ্ৰচেপনেৰে চেপি ধৰি ক'লে, "তোমাৰ দেউতাৰা কিমান যে সজ্জন আৰু মহাশয় ব্যক্তি। তেওঁৰ ঘৰত তোমাৰ দৰে দুৰ্ভগীয়া এটা জনম লোৱাটো—



কেনেকুৱা শিক্ষক ? বেচেৰা সত্যনাৰায়ণেও তো এওঁৰেপৰাই শিক্ষা পায় ? কিনো পায়?

ল'ৰাহঁতে বলিয়াৰ দৰে চিঞৰি আছিল। শিক্ষকে তেওঁৰ দীঘল মোচকোচা মেকুৰীৰ নেগুৰৰ দৰে ফুলাই লৰাহঁতক ভয়ংকৰ পৰিমাণৰ কথা সোঁৱৰাই দিয়াৰ পাছত চকিত বহি চকুযুৰি মুদি মুখেৰে উশাহ ল'ব ধৰাত মুখৰ ভিতৰত এটা মাখিও সোমাই গ'ল ; কিন্তু তেওঁ গমেই নাপালে।

অলপ পাছত ল'ৰাহঁতে সত্যনাৰায়ণৰ কাণত ধৰি টানিলে, নাকত ঘঁহি দিলে, মূৰত আঙুলিৰে টুকুৰিয়ালে—কিন্তু সূৰ্য্যপ্ৰসাদে এটা ল'ৰাকো একো ক'ব নোৱাৰিলে। তেওঁ তো ইয়াত থকা ল'ৰাবিলাকৰ নামো নাজানে, কোন কিমানৰ কি তাকো নাজানে। কিন্তু সিহঁতৰ অত্যাচাৰ যেতিয়া অসহ্য হ'ল তেতিয়া সত্যনাৰায়ণৰূপী সূৰ্য্যপ্ৰসাদে চিঞৰি দিলে আৰু লগে লগে ল'ৰাহঁতে 'টোপনি টুটলে পণ্ডিতে বাঘ হৈ খাব—' বুলি কৈ, ভাল ল'ৰাটি হৈ বহি থাকিল।

আৰু পণ্ডিতো সাৰ পাই গ'ল আৰু সাৰ পায়েই চিঞৰি কাণ ঘোলা কৰা সূৰ্য্যপ্ৰসাদক বেতেৰে চাৰৌপ-চাৰৌপকৈ উৰাই-ঘুৰাই কোবাবলৈ ধৰাত জাঁপ মাৰি মাৰি সূৰ্য্যপ্ৰসাদে পণ্ডিতক দঢ়াই

কথা আচৰিতেই। তোমাৰ খেল-ধেমালি আৰু উৎপতীয়া স্বভাৱ দিনে দিনে বাঢ়িয়েই আছে। গতিকে মই চুপচাপ হৈ থাকিব নোৱাৰোঁ। মজিয়াত জোঙা জোঙা গজাল চাৰিওফালে পলাই থৈ মই তোমাক ঘৰৰ চালৰপৰা ওলোমাই থ'ম।"

শুনি সূৰ্য্যপ্ৰসাদৰ চকুযুৰি পানীৰে ভৰি পৰিল। এনেবোৰ অপমান সহ্য কৰাতকৈ মৰণেই ভাল বুলি তেওঁৰ ধাৰণা হ'ল। পণ্ডিতৰ আৰু পঢ়াশালিৰ ছাত্ৰৰ আও-ভাও দেখি এইখন বাস্তৱিকতেই পঢ়াশালি নে মৰিশালি—সেই কথা সূৰ্য্যপ্ৰসাদে নাভাবি নোৱাৰিলে। এওঁনো

দঢ়াই কৈ থাকিল, "হাৰে শিয়ালপণ্ডিত, এয়েহেনে পঢ়াশালি! নাকত তেল দি টোপনি মাৰি বেতাবৰ কাৰণহেনে মই জেপৰ ধন দিছোঁ তোমাক ইমান দিন ধৰি? সেইহে মোৰ ল'ৰাটো শিং থাকিলে হালত বাব পৰাটো হৈ আছে। ঠিক আছে, চাবা, এনেবোৰ পাতক পত্ৰ ভাতক ভত্ৰ বোলা পঘাখোৰা পণ্ডিতক কেনেকৈ পোতা-মোচৰা দিওঁ চাই থাকিবা।"

পণ্ডিতে সত্যনাৰায়ণৰ গুৰালগালিবোৰ শুনিও লৰচৰ নকৰাত ল'ৰাইঁতৰ হাঁহি উঠিল। পণ্ডিতে আন একো কৰাৰ সলনি সূৰ্য্যপ্ৰসাদক কেইটামান প্ৰশ্ন সুধিলে, আৰু সূৰ্য্যপ্ৰসাদেও যথাযথ উত্তৰ দিলে; কিন্তু আন কেইটামান প্ৰশ্নৰ উত্তৰ দিব নোৱাৰিলে।

তাৰ পাছত পণ্ডিতে সূৰ্য্যপ্ৰসাদক অংকৰ বিষয়ে প্ৰশ্ন সোধাত সূৰ্য্যপ্ৰসাদে প্ৰায় নৌ সোধোঁতেই উত্তৰ দিবলৈ ধৰাত পণ্ডিতে চৌঠেভীয়া হোৱা যেন পালে। সত্যনাৰায়ণে অংকৰ 'অ'টোও নাজানিছিল। হঠাৎ সি কেনেকৈনো ঘিউ-মৌ পোৱা হ'ল অংকত?

পণ্ডিতে সূৰ্য্যপ্ৰসাদক কৈ উঠিল, "আৰে বদমাছ! তই অংকত পৰা হৈও ইমানদিন নোৱৰাৰ ভাও জুৰি আছিলি তেন্তে—?" এই বুলি কৈ গৰু কোবোৱাদি বেতেৰে কোবাবলৈ ধৰিলে। তাৰ পাছত



এসময়ত ভাগৰি পৰি পণ্ডিত ৰ'ল।

তাৰ পাছত যেতিয়া পঢ়াশালি ছুটি হ'ল—তেতিয়া সূৰ্য্যপ্ৰসাদো ঘৰমুৱা হ'ল।

বাটতে ল'ৰাইঁতে সূৰ্য্যপ্ৰাদক নানা ধৰণে জলা-কলা কৰি থাকিল। এটা ল'ৰাই সুধিলে, "ঐ সত্য! তোক একেবাৰে নতুন ক'ৰ কোনোবা যেনহে লাগিছে। কথানো কি ক'চোন শুনো ?"

"কথা—বেঙৰ মাথা!" সূৰ্য্যপ্ৰসাদে গোঁ গোঁৱাই উঠি ক'লে, "হয়, মই নতুনেই। মই সত্যনাৰায়ণ নহওঁ, এই নামেৰে তোমালোকে মোক নামাতিবা।"

ল'ৰাইঁত যেতিয়া ভেবা লাগি চাই ৰ'ল, তিমানতে সূৰ্য্যপ্ৰসাদ আগুৱাই গ'ল। গৈ থাকোঁতে সূৰ্য্যপ্ৰসাদে ভাবি থাকিল: এনে এক অদ্ভুত অথান্তৰীয়া অৱস্থাৰপৰা কেনেকৈনো মুক্তি পাম ? এতিয়া সত্যনাৰায়ণে বাৰু ঘৰত কি কৰি আছে ? এতিয়ামানে—তাৰ আচল ৰহস্য বোধ কৰোঁ ঘৰৰ সকলোটিয়েই জানিব পায়। নহ'লে—অৱস্থা কি হৈছে—মই নিজক সূৰ্য্যপ্ৰসাদ বুলি বুকু ফালি দেখুৱালেও কোনেও বিশ্বাস নকৰিব, আৰু মোক কিজানি বলিয়া হোৱা বুলি ভাবি বেজৰ হাতত দিব। আৰু—এতিয়া হৈ থকা সূৰযপ্ৰসাদ আচলতে যে সত্যনাৰায়ণ—তাকো কোনেও মানি নল'ব। যি কি নহওক—সূৰ্য্যপ্ৰসাদৰ—অৰ্থাৎ মোৰ বন্ধু-বান্ধৱইঁত আহিব যেতিয়া মোক লগ কৰিবলৈ, তেতিয়া যদি কাৰোবাৰ মনত কিবা সন্দেহ হয়—তেহে এইবাৰলৈ বাঁচন! নহ'লে—নহ'লে মৰণেই শৰণ। তথাপি, সূৰ্য্যপ্ৰসাদৰ মনত হঠাৎ আশাৰ জোৱাৰ উঠিল যে নিশ্চয় এই ৰহস্য কোনো-নহয়-কোনোবাই ধৰিব পাৰিবই।

এই আশা বুকুত বান্ধি লৈ মৰিশালি-হেন পঢ়াশালিত পণ্ডিতে পদাপাল দেখুউৱা সূৰ্য্যপ্ৰসাদ ঘৰমুৱা হ'ল। [অহা সংখ্যাত



জয়শীলৰ জুলিবাঁটি

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই বিশেষ গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা! কৰ্মলৈ তোমাৰ নিষ্ঠা, প্ৰশংসাৰ যোগ্য। কিন্তু এই যে আবহমান কাল ধৰি নিৰলস শ্ৰম কৰিছা, ইয়াৰ আঁৰত চিত্ত-চাঞ্চল্য জাতীয় কিবা নাই তো? ৰাজকোঁৱৰ জয়শীলে জীৱন-লগৰী নিৰ্বাচন কৰোঁতে কেনেকৈ যে চিত্ত-চাঞ্চল্যৰ চিকাৰ হৈ পৰিছিল, মই তোমাক সেই কাহিনী ক'ম। এই কাহিনী শুনি বাট বুলি বুলি গৈ থাকিলে তোমাৰ পথ-শ্ৰম নিশ্চয় কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে:

'বেতাল-কথা'

বিজয়পুৰীৰ মহাৰজা মহেন্দ্ৰবৰ্মাদেৱে তেওঁৰ একমাত্ৰ পুত্ৰ জয়শীলক এদিন ক'লে, "জয়শীল, তুমি ছাত্ৰোচিত সমস্ত জ্ঞান আৰ্জিলা, আৰু ইতিমধ্যেই যে যথেষ্ট অভিজ্ঞ হৈ উঠিলা, তাৰ কাৰণে মই গৰ্বিত। এতিয়া তোমাৰ বিবাহ সম্পাদন কৰিব খুজিছোঁ। মোক গুণৱতী তথা দয়াৱতী পুত্ৰবধূ এজনী লাগে। মোৰ পুত্ৰবধূ ৰাজবংশীয় নহ'লে ক্ষতি নাই।"

"পিতাজী! আপুনি আপোনাৰ পুত্ৰবধূ ৰূপে কোনোবাজনীক মনস্থ কৰিছেনে?"

"নহয়। পিছে—কাত্যায়নী নগৰৰ ৰজা ইন্দ্ৰসেনৰ পুত্ৰী বৈজয়ন্তীক তাইৰ দহ-বছৰীয়াতে এবাৰ চাই আহিছিলোঁগৈ। মই ভালেই পাইছিলোঁ। তুমি নিজেই কাত্যায়নীনগৰলৈ গৈ ৰজা ইন্দ্ৰসেনৰ ৰাজ-প্ৰাসাদত কিছুদিন অতিবাহিত কৰি ৰাজ-কুঁৱৰীৰ বিষয়ে মনস্থিৰ কৰিব পাৰা।" মহাৰাজে ক'লে।

জয়শীলে ক'লে, "পিতাজী! আপোনাৰ আদেশ শিৰোধাৰ্য্য। মই নিশ্চয় সেই নগৰলৈ যাম আৰু কিছুদিন তাত অতি-বাহিত কৰিম আৰু আপুনি কোৱা মতে সকলো কৰি পুনৰ ঘৰলৈ উভতি আহিম।"

"ঠিক আছে। পিছে—তালৈ যাওঁতে দুজন দেহৰক্ষীকো লগত লৈ যাবা।"

পাছদিনা, জয়শীল আৰু তেওঁৰ দুজন দেহৰক্ষীয়ে বেপাৰীৰ ভেশ লৈ কাত্যায়নী নগৰলৈ বুলি যাত্ৰা কৰিলে। কেইদিনমানৰ অন্তত কাত্যায়নী নগৰ পাই এখন খাজি-খোৱাত দুটা কোঠা ভাড়ালৈ ল'লে। এটা কোঠাত জয়শীল, আৰু আনটো কোঠাত তেওঁৰ দেহৰক্ষী দুজন থাকিবলৈ ধৰিলে। খাজিখোৱাৰ মালিকক জয়শীলে ক'লে যে তেওঁলোক বেহা-বেপাৰৰ কাৰণে ইয়ালৈ আহিছে।

দ্বিতীয়দিনা জয়শীলৰ জ্বৰ উঠিল। দয়ালু স্বভাৱৰ খাজিখোৱাৰ মালিকে জয়শীলৰ পৰিচৰ্য্যাৰ বাবে জয়শীলক নিজৰ ঘৰলৈ

লৈ গ'ল আৰু নগৰৰ বিখ্যাত চিকিৎসক এগৰাকীক মাতি লৈ আহিল।

চিকিৎসকে জয়শীলক ভালকৈ পৰীক্ষা কৰাৰ অন্তত ঔষধ দিলে আৰু সিহঁতক ক'লে, "এই ঔষধ প্ৰতি প্ৰহৰত এপালিকৈ খুৱাব লাগিব। আৰু সদা-সৰ্বক্ষণ মনত ৰাখিব—ৰোগীৰ জীৱনৰ আশংকা আছে।"

এই খাজিখোৰাৰ মালিকৰ পৰিবাৰ নাছিল, আছিল এক বিবাহযোগ্যা কন্যা। তাইৰ নাম ইন্দুমতী। চিকিৎসকে দঢ়াই কৈ যোৱা মতে ইন্দুমতীয়ে ওৰে ৰাতি সাৰে থাকি জয়শীলক ঔষধ খুৱালে। কেৱল সেই এৰাতিয়েই নহয়, এসপ্তাহ। সপ্তম দিনত জয়শীলক জ্বৰে এৰিলে। দেহৰ বল-শক্তি ঘূৰাই পাবলৈ জয়শীলে তাত আৰু সাতদিনলৈ থাকিবলগা হ'ল। ইন্দুমতীয়ে মনে-চিতে জয়শীলৰ সেৱা-যত্ন কৰি থাকিল আৰু ইন্দুমতীৰ ধৈৰ্য্য-সহগুণ আৰু দয়াশীল নম্ৰ স্বভাৱ চাই জয়শীলে ভাবিলে: ইন্দুমতীয়ে নিশ্চয় মোক ভাল পাই পেলাইছে।

জয়শীল যেতিয়া সম্পূৰ্ণ সুস্থ হৈ উঠিল, তেতিয়া ইন্দুমতীক সুধিলে, কোৱাচোন, ৰাজ-পৰিয়ালৰ কাৰোবাৰ লৈতে তোমাৰ চা-চিনাকি আছেনে?"

"ৰাজ-পৰিয়ালৰ সকলোটিয়েই মোৰ

চিনাকি। মই ৰাজকুঁৱৰীৰ সখিহঁতৰ এজনী। আপোনাৰ অসুস্থতাৰ কাৰণে মই যোৱা দুসপ্তাহ ৰাজপ্ৰাসাদলৈ যোৱা নাই।"

"ভাল। তেনেহ'লে মোক তুমি সামান্য সহায় কৰি দিবা।" জয়শীলে ক'লে।

"কি সহায়?" ইন্দুমতীয়ে সুধিলে।

"ৰাজকুঁৱৰীয়ে কোনোবা ৰাজকোঁৱৰক ভাল পায়নে কি, বা বিবাহ কৰাবৰ মন আছেনে কি—ইমানকে জানি আহিবা।"

"এই কথাত আপোনাৰনো কি কাম—?" অবাক ইন্দুমতীয়ে সুধিলে।

"বিজয়পুৰীৰ ৰাজকোঁৱৰ হ'ল মোৰ অভিন্নহৃদয় বন্ধু। ৰাজকোঁৱৰ জয়শীলে ৰাজ-

কুঁৰৰী বৈজয়ন্তীক বিবাহ কৰাব খুজিছে। পিছে—ৰাজকুঁৰৰী বৈজয়ন্তীয়ে যদি আন কাৰোবাক ভাল পাইছে তেনেহ'লে ৰাজকোঁৱৰ জয়শীল এই বিষয়ত আৰু আগ নাবাঢ়িব। ৰাজকুঁৰৰীৰ বৈজয়ন্তীৰ ৰহস্য জনাৰ কাৰণ হ'ল ইমানেই।" জয়শীলে ইন্দুমতীক ভাঙি-পাতি ক'লে।

"ঠিক আছে। মোক দুই-তিনি দিনৰ সময় দিয়ক, মই এই কথাখিনি ৰাজ-কুঁৰৰীৰপৰা জানি ল'ম।" ইন্দুমতীয়ে ক'লে।

সিদিনাৰেপৰাই ৰাজকুঁৰৰী বৈজয়ন্তীৰ ওচৰলৈ ইন্দুমতী পুনৰ অহা-যোৱা কৰা হ'ল। তৃতীয় দিনা সাঁজ লাগি ভগাৰ পাছত যেতিয়া ইন্দুমতী অন্তেষপুৰৰপৰা উভতি আহিব ধৰিছিল, তেতিয়া তাই উভতি অহালৈ বাট চাই থকা তাইৰ দেউতাকে তাইক ক'লে, "ইন্দু, আমাৰ ঘৰত আলহী হৈ থকাজন কোন—তই কিবা গম পাৰনে ? আমাৰ খাজিখোৱাত তেওঁৰ লগৰীয়া তথা দেহৰক্ষী দুজনৰপৰা জানিছোঁ যে—এৱেঁই হ'ল বিজয়পুৰীৰ ৰাজকোঁৱৰ জয়শীল।"

"হয়নে দেউতা ?" ইন্দুমতীয়ে অকণো বিস্ময় প্ৰকাশ নকৰাকৈ ক'লে।

"হয়। কিন্তু বেপাৰীৰ ছদ্মবেশত যে কিয় আহিছে — তাকেহে বুজা নাই।" ইন্দুমতীৰ পিতৃয়ে বিস্মিত কণ্ঠেৰে ক'লে।

"দেউতা, আমাৰ এই নগৰলৈ তেওঁ কিয় আহিছে, মই কথাটো জানো। তেওঁৰ আমাৰ ৰাজকুঁৰৰী বৈজয়ন্তীক বিবাহ কৰাবৰ মন। কিন্তু—ৰাজকুঁৰৰী বৈজয়ন্তীয়ে আন কোনোবা ৰাজকোঁৱৰক ভাল পায়নে কি, সেই কথাৰ চয়-নিচয় কৰিবলৈহে তেওঁ ইয়ালৈ আহিছে। যদি আমাৰ ৰাজকুঁৰৰীৰ মনত আন কোনো নাই, তেওঁ ৰাজকুঁৰৰীক বিবাহ কৰাব। ৰাজ-কুঁৰৰীৰ বিষয়ে খৰচি মাৰি জানিবলৈ তেওঁ মোক অনুসন্ধান কৰিবলৈ কৈছে। ইন্দুমতীয়ে দেউতাকক ক'লে।

"অ'—তাকে কোৱা। পিছে—তুমিনো অনুসন্ধান কৰি কি কথা জানিলা?" দেউতাকে সুধিলে।

"মই ইমাকে জানিলোঁ যে ৰাজকুঁৱৰী বৈজয়ন্তীৰ মনত আন কোনো নাই।" ইন্দুমতীয়ে ক'লে।

"মই কিন্তু জানো যে মহেন্দ্ৰপুৰী তথা বিক্ৰমপুৰীৰ ৰাজকোঁৱৰৰ লগত আমাৰ ৰাজকুঁৱৰী বৈজয়ন্তীৰ এক মৰমৰ সম্পৰ্ক আছে। কথাটো তুমিও নিশ্চয় নজনা নহয়। আমাৰ আলহীক আমি সত্য-গোপন কৰাটো উচিত নহ'ব। ইন্দুমতীৰ পিতৃয়ে ক'লে।

ইন্দুমতীয়ে ক'লে, "দেউতা, মই তেওঁক সঁচা কথাকে ক'ম।"

শুনি ইন্দুমতীৰ পিতৃ প্ৰসন্ন হ'ল।

ইন্দুমতীয়ে বণিজাৰুৰূপী ৰাজকোঁৱৰ জয়শীলক ক'লেগৈ, "আমাৰ ৰাজকুঁৱৰী বৈজয়ন্তীয়ে এতিয়ালৈকো আন কাৰোবাক বিবাহ কৰিবলৈ সংকল্প কৰা নাই। আপোনাৰ বন্ধুক আপুনি কওকগৈ—তেওঁ ৰাজকুঁৱৰী বৈজয়ন্তীক স্বচ্ছন্দে বিবাহ কৰাব পাৰিব। ৰাজকুঁৱৰী বৈজয়ন্তী যথেষ্ট গুণৱতী তথা স্নেহশীলা।"

"তোমাৰ সহায়তাৰ বাবে মই কৃতজ্ঞ হৈ থাকিম। কিন্তু—আমাৰ ৰাজকোঁৱৰে আন এজনীক বিবাহ কৰাটোকে স্থিৰ কৰিছে।" জয়শীলে ক'লে।

"কাকনো?" বিস্মিতা ইন্দুমতীয়ে ৰাজকোঁৱৰ জয়শীলক সুধিলে।

"ইন্দুমতীক।" জয়শীলে হাঁহি হাঁহি কিন্তু স্পষ্টকৈ কৈ দিলে।

ইন্দুমতী লাজতে তলমূৰ হ'ল। তেতিয়া জয়শীলে ইন্দুমতীৰ আগতে আত্ম-পৰিচয় দিলে আৰু এই বিষয়ে ইন্দুমতীৰ পিতৃকো ক'লে।

তাৰ পাছত এদিন এক শুভ মুহূৰ্তত সমাৰোহৰে সৈতে ৰাজকোঁৱৰ জয়শীলৰ সৈতে ইন্দুমতীৰ বিবাহ সম্পন্ন হ'ল।



এই কথা কোৱাৰ অন্তত বেতালে ৰজা বিক্রমাদিত্যক সুধিলে, "হে ৰজা, ৰাজকোঁৱৰ জয়শীলে ৰাজকুঁৱৰী বৈজয়ন্তীক বিবাহ কৰাৰৰ সংকল্প মনত লৈ-ইয়ালৈ আহিছিল। কিন্তু পাছত ৰাজকুঁৱৰীৰ সখিয়েক ইন্দুমতীক বিবাহ কৰাইছিল। এয়া বাৰু বিড়ম্বনামূলক কাৰ্য্য হোৱা নাছিলনে? যেতিয়া ইন্দুমতীয়ে জয়শীলক ভাল পাইছিল। তেতিয়া জয়শীলক তাৰ এজন সাধাৰণ বণিজাৰ বুলিয়েই জানিছিল। পাছত যেতিয়া জয়শীলৰ প্রকৃত পৰিচয় ওলাই পৰিল, তেতিয়া ইন্দুমতীৰ বিবাহৰ ইচ্ছা অধিক প্রকট হৈ উঠিল। কিন্তু—ইন্দুমতীয়ে তাইৰ পিতৃয়ে কোৱা মতে জয়শীলক সত্য কথাখিনি কোৱা নাছিল কিয়? পিতাকক সত্যকথনৰ কথা দি-ও তাই নাৰাখিলে কিয়? ইন্দুমতীয়ে ভালকৈ জানিছিল যে ৰাজকুঁৱৰী বৈজয়ন্তীয়ে আন এজন ৰাজকোঁৱৰক ভাল পায়। জানিও নোকোৱা হ'ল কিয় তাই? আৰু—জয়শীলে ইন্দুমতীক বিবাহ কৰাব বুলি মনত সংকল্প কৰাৰ পাছতো ৰাজকুঁৱৰী বৈজয়ন্তীৰ মনৰ ইচ্ছাৰ খবৰ ল'বৰ মনেৰে জয়শীলে কিয় ইন্দুমতীক অনুৰোধ কৰিছিল? কিয় ইন্দুমতীক ৰাজকুঁৱৰী বৈজয়ন্তীৰ ওচৰলৈ প্রেৰণ কৰিছিল? মোৰ এইবোৰ প্রশ্নৰ সঠিক উত্তৰ জানিও যদি নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব এই কথা নিশ্চয় বুলি জানিবা।"

বেতালৰ প্রশ্নৰ উত্তৰত বিক্রমাদিত্যই ক'লে, "ইন্দুমতীক বিবাহ কৰাত জয়শীলে কোনো প্রকাৰ বিড়ম্বনামূলক কাম কৰা নাছিল। জয়শীলৰ পিতাদেৱে জয়শীলক কৈছিল এজনী গুণৱতী তথা দয়াৱতী ছোৱালীক বিবাহ কৰাবলৈ। সেই ছোৱালীজনী যে ৰাজকন্যা নহ'লেও হ'ব—সেই কথাটোও তেওঁ কৈছিল জয়শীলক। ইন্দুমতী আছিল প্রত্যক্ষভাৱে এইবোৰ

গুণেৰে বিভূষিতা। ইন্দুমতী আছিল নম্ৰস্বভাৱা, কোমলমনা, স্নেহপৰায়ণা আৰু ধৈৰ্য্যশীলা। ইন্দুমতীয়ে যেতিয়া বুজি পালে যে বেমাৰত পৰা এই আলহীজন হ'ল ৰাজকোঁৱৰ জয়শীল, তেতিয়া তায়ো ভাবিছিল যে জয়শীলে নিশ্চয় ৰাজকুঁৱৰী এজনীক বিবাহ কৰোৱা উচিত। ৰাজকুঁৱৰী বৈজয়ন্তীয়ে আন এগৰাকী ৰাজকোঁৱৰক বিয়া কৰাবলৈ কেতিয়াবা ইচ্ছা কৰিছিল; কিন্তু তাৰেপৰাই এই ধাৰণা কৰাটো ঠিক নহ'ব যে বৈজয়ন্তীয়ে আন যোগ্যৱান কাৰোবাক বিবাহ নকৰাব। সখিয়েক ইন্দুমতীয়ে এই কথা জানিছিল যে ৰাজকুঁৱৰীয়ে কাৰো লগত বন্ধনত সোমাবলৈ স্থিৰ কৰা নাছিল। ইন্দুমতীয়ে তাইৰ দেউতাকে কোৱা কথাখিনি কৈ বৈজয়ন্তীৰ প্ৰতি জয়শীলক বিমুখ কৰি নিজৰ বিবাহৰ পথ প্ৰশস্ত কৰিব পাৰিলেহেঁতেন। কিন্তু সেই কাম কৰাহেঁতেন ইন্দুমতীয়ে ৰাজকুঁৱৰীৰ সৈতে বিশ্বাসঘাতকতাহে কৰা হ'লহেঁতেন। ইন্দুমতী আছিল অতি আত্মমৰ্য্যাদাসম্পন্না, আত্মস্বাৰ্থত এনে নীচ কাম তাই কদাপি কৰিব নোৱাৰে। বাকী থাকিল শেহতীয়া প্ৰশ্নটোৰ উত্তৰ। ৰাজকুঁৱৰী বৈজয়ন্তীৰ ফালৰপৰাই নিশ্চয় জয়শ.লৰ প্ৰকৃত পৰিচয় খাজিখোৱাৰ মালিকে জানিছিল, আৰু তেতিয়া জয়শীলেও ভাবিছিল যে খাজিখোৱাৰ মালিকে তথা ইন্দুমতীৰ দেউতাক নিশ্চয় কথাটো ইন্দুমতীক নোকোৱাকৈ থকা নাই। আৰু ইন্দুমতীৰ সততাৰ পৰীক্ষা লোৱাৰো আছিল এয়া এক সুবৰ্ণ সুযোগ। জয়শীলৰ পৰীক্ষাত ইন্দুমতী সফলতাৰে উত্তীৰ্ণ হৈছিল আৰু তাৰ পাছতহে জয়শীলে ইন্দুমতীক বিবাহ কৰাইছিল।"

বিক্ৰমাদিত্যাই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

সময়ৰ শৰ

মাজনিশা 'চোৰ চোৰ' বুলি চিঞৰি উঠাত সকলোটিয়েই সাৰ পাই গ'ল আৰু জঁাপ মাৰি বিছনা এৰি দা-কুঠাৰ যাঠি-লাঠি যেয়ে যি পালে হাতত লৈ ওলাই আহিল।

ওলাই আহি সোমদাসক দেখা পাই ৰাইজে সুধিলে যে চোৰ কেনি পলাল। সোমদাসে অলপ আঁতৰত থকা বৰগছজোপালৈ আঙুলিয়ালে আৰু গঞা ৰাইজ সেই পোনে লৰি গ'ল।

কিন্তু বৰগছৰ ওচৰে-পাজৰে ক'তো-কেনিও চোৰৰ চিন-ছাবো দেখা নাপাই গছৰ ওপৰলৈ চালে। গছৰ ডালত বহি আছিল এটাৰ কুকুৰনেচীয়া। জোনৰ পোহৰত কুকুৰনেচীয়াটোক দেখা পাই গঞাৰ এৰাঁ চৰিল। এজনে ক'লে. "এইটোৱেই সেইটো, বুইছ ?"

"অ, বুইছোঁ। —কোনটো অ' ?" আন এজনে সুধিলে।

"সেই যে খেতি-পথাৰত পৰ দি ৰাতি দুটা হালোৱা শুই আছিল, এটাক কুকুৰনেচীয়াই মাৰি খালে, আনটোক যে থাপ মাৰি গাৰ মঙহ বখলিয়ালে যে —।"

"অ'—হয় হয়।"

এই কথা কোৱাৰ লগে লগেই কুকুৰনেচীয়াটো ভয়তে তললৈ জঁপিয়াই পৰিল, আৰু তেতিয়া গঞাই সেইটোক যাঠি-লাঠিৰে খতম্ কৰি পেলালে।

পাছত সোমদাসক গঞা এজনে সুধিলে, "হেৰা. তুমি 'চোৰ চোৰ' বুলি চিঞৰিছিলা কিয় ? এয়া দেখোনহে এটা কুকুৰনেচীয়া !"

সোমদাসে মিচিকীয়াই হাঁহি মাৰি ক'লে, "চোৰ চোৰ বুলি তেনেকৈ মই নিচিঞৰাহেঁতেন আপোনালোক ওলালহেঁতেননে ? চোৰৰ সলনি কুকুৰনেচীয়া বুলি চিঞৰাহেঁতেন আপোনালোকে দুৱাৰৰ ডাংবোৰ আৰু ভালকৈ লগাই শুয়েই থাকিলহেঁতেন। বাঘৰ নাম শুনিও আগুৱাই অহা বাঘৰ আগতেল খোৱানো কোন ক'ত আছে ?"

সোমদাসৰ কথা শুনি গঞাই টিকাই-মূৰে খজুৱাই থাকিল।

চান্দমামা-ক্রোড়পত্র-১১

জ্ঞান ভাণ্ডাৰ

ঐতিহাসিক
এই মাহৰ ব্যক্তিত্ব

ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ

এগৰাকী বিদ্বান ব্যক্তি ৰেলৰ ডবাৰপৰা নামিল। হাতত তেওঁৰ সৰু এটা বেগ। কিন্তু যিমানেই সৰু নহওক, তেওঁ নিজে কঢ়িয়াই নিনিব। ইফালে,সিফালে চাই তেওঁ প্লেটফৰ্মৰ ওপৰত সাধাৰণৰো সাধাৰণ মানুহ এজনক দেখা পাই মাতিলে, "কুলী—কুলী (মুটিয়া)!" মানুহজন আগ বাঢ়ি আহিল আৰু বেগটো কঢ়িয়াই লৈ তেওঁৰ পিছে পিছে গৈ থাকিল। গন্তব্যস্থল গৈ পোৱাৰ পাছতহে বিদ্বান ব্যক্তিজনে জানিব পাৰিলে এই হজুৰাটিয়েই হ'ল তেওঁ সাক্ষাৎ কৰিবলৈ অহা পণ্ডিত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ!

মহান সমাজৰ সংস্কাৰক ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ ১৮২০ চনৰ ২৬ ছেপ্টেমবাৰত বংগদেশত জন্মগ্ৰহণ কৰিছিল। তেওঁ কলিকতাৰ গৰ্ণমেন্ট সংস্কৃত কলেজৰ অধ্যক্ষ আছিল। বিধৱা সকলৰ ক্লেশ নিবাৰণাৰ্থে 'বিধৱা-বিবাহ'ক আইন সংগত কৰি মহৎ উপকাৰ সাধিছিল। তেওঁ ভাৰতত পাশ্চাত্য বিজ্ঞান আৰু দৰ্শনৰ প্ৰচলন কৰিছিল। ১৮৯১ চনত তেওঁ স্বৰ্গী হৈছিল।

তেওঁ কোন ?

ৰাতিৰ নিমজ এন্ধাৰত বিৰাট ঘৰ এটাত চোৰ এটা সোমালহি চুৰি কৰাৰ মনেৰে।

ইমান প্ৰকাণ্ড ঘৰটো—কিন্তু মানুহ মাত্ৰ এজন। এই ঋষিকল্প পণ্ডিত মানুহজন অকলেই ঘৰটোত বাস কৰিছিল। এই পণ্ডিত গৰাকীয়ে কদাপি তেওঁৰ ঘৰৰ দুৱাৰ বন্ধ নকৰিছিল।

চোৰটোৱে বহুত বিচাৰি-খোচাৰিও দুই-চাৰি বাচন-বৰ্তনৰ বাহিৰে একো নাপালে। এৰাতিৰ আৰ্জন হিচাপে বেয়া নহ'ব বুলি ভাবি বাচন-বৰ্তনখিনি লৈ ওলাই যাবলৈ খোজ দিয়েই ঘৰৰ ঘাই দুৱাৰত ধনু কাঁড় দাঙি থৈ থকা কাৰবাক দেখা পাই চোৰটোৱে ঘৰৰ পিছ দুৱাৰেদি দৌৰি ওলাবলৈ চেষ্টা কৰিলে। কিন্তু তাতোধনু কাঁড় টোঁৱাই এজন প্ৰহৰী বৈ আছিল।

চোৰটো মহা বিপদত পৰিল। সি ভয়তে ঠিৰ ঠিৰকৈ কঁপি কঁপি পণ্ডিত গৰাকী সাৰ নোপোৱালৈকে বাধ্যত পৰি বৈ থাকিল।

সাৰ পোৱাৰ অন্তত গিৰিহঁতে চোৰটোক ক'লে, "চোৰা, তুমি কিন্তু বৰ ভাগ্যবান। এই দুই পৰীয়া আচলতে আছিল ৰাম আৰু লক্ষ্মণ।"

কিংবদন্তি মতে, এই ঋষিকল্প পণ্ডিত ব্যক্তি কোন আছিল ?

[উত্তৰ : ৪ পৃষ্ঠাত


The Parliament House
Prithviraj Chauhan
DELHI
Mohammad Ghori
Qutub Minar
Shah Jahan
The Red Fort

দিল্লীৰ সাতো জনম

দিল্লী, আজি ভাৰতৰ ৰাজধানী, তাহানিৰ পাণ্ডৱসকলৰ নগৰ মহাভাৰতত বৰ্ণিত ইন্দ্ৰপ্ৰস্থৰ ওচৰে-পাঁজৰে অৱস্থিত। আজিও দিল্লী নগৰীত ইন্দ্ৰপথ নামৰ এডোখৰ ঠাই আছে।

কোৱা হয় যে—মহাভাৰতৰ কালৰে-পৰাই দিল্লী বাৰে বাৰে ন-কৈ নিৰ্মিত হৈছে। সৰ্বমুঠ সাতবাৰ দিল্লী এনেকৈ নৱ-নিৰ্মিত হৈছে। দিল্লীক সপ্তমবাৰ ন-কৈ সজাই-পৰাই নিৰ্মাণ কৰিছিল সম্ৰাট শ্বাহ জাহানে।

স্বাধীনতালাভৰ পাছৰপৰা দিল্লীৰ বা আজি, নতুন দিল্লী বিৰাটভাৱে নিৰ্মিত হৈছে। এতিয়াৰ আধুনিক দিল্লীক অষ্টম দিল্লী বুলিও ক'ব পাৰি। কিন্তু তাহানিদিনীয়া দিল্লীখনক আজিৰ এই বিৰাট-বিশাল দিল্লীতো সুন্দৰকৈ উপলব্ধি কৰিব পাৰি।

১১ শতিকাত শক্তিশালী ৰজা অনংগপালে দিল্লীখনক মনমোহাকৈ সজাইছিল। 'লালকোট' নামৰ তেওঁৰ দুৰ্গৰ ভগ্নাৱশেষ আজিও কুতুবমিনাৰ ওচৰত পৰিলক্ষিত হয়। দিল্লীৰ শেষ হিন্দু ৰজা আছিল পৃথ্বীৰাজ চৌহান। কনৌজৰ ৰাজকুঁৱৰী সংযুক্তাই তেওঁৰ পিতা ৰজা জয়চন্দ্ৰৰ ইচ্ছাৰ বিৰুদ্ধে পৃথীৰাজক বিবাহ কৰাত অতিপাত ক্ৰুদ্ধ জয়চন্দ্ৰই তুৰ্কিদেশৰ ছুলতান মহম্মদ ঘোৰীৰ সৈতে লগ লাগি দিল্লী আক্ৰমণ কৰিলে। পৃথীৰাজ নিহত হ'ল, আৰু সংযুক্তা আত্মঘাতী হ'ল। ১১৯২ চনত মহম্মদ ঘোৰীয়ে বিশ্বাস-ঘাততাক কৰি জয়চন্দ্ৰকো হত্যা কৰিলে।

দিল্লীক বহুতেই শাসনো কৰিছিল, আৰু লুটো কৰিছিল। লুটপাতকাৰীহঁতৰ মাজত সৰ্বাধিক উল্লেখযোগ্য হ'ল পাৰস্য-দেশৰ নাদিৰ শ্বাহ। নাদিৰশ্বাহই অপৰিমিত ধন-সোণ লুট কৰাৰ উপৰিও বিখ্যাত ময়ূৰ সিংহাসনো লুট কৰি লৈ গৈছিল, আৰু ১৭৩৮ চনত দিল্লীৰ ৩০,০০০ অধিবাসীক নৃশংসভাৱে হত্যা কৰিছিল।

আজিৰ দিল্লী হ'ল চাৰিওফালে থকা ভালেমান সুন্দৰ সুসমৃদ্ধ গাঁৱৰে সৈতে অতি মনমোহা এখন কেন্দ্ৰ শাসিত আধুনিক মহানগৰ। বৰ্তমান দিল্লীৰ লোক সংখ্যা ৬২ লাখতকৈও অধিক।



বিশ্ব-সাহিত্যলৈ এভুমুকি

১. 'এলিছ ইন ওৱাণ্ডাৰলেণ্ড' নামৰ গ্ৰন্থকাৰ লুইছ কেৰলৰ প্ৰকৃত নাম কি?

২. তেওঁৰ জীৱিকা কি আছিল?

৩. গ্ৰিম ভ্ৰাতৃদ্বয়ৰ সম্পূৰ্ণ নাম কি?

৪. চীনদেশৰ চৰকাৰী ভাষা কি?

৫. এই শব্দটোৰ উৎপত্তি কিহৰপৰা হৈছে?

৬. পৃথিৱীত কিমান ভাষা আছে?

৭. কোনগৰাকী বিখ্যাত ইংৰাজ লেখকে ১৯ শতিকাৰপৰা আৰম্ভ কৰি ২০ শতিকাৰ মাজভাগলৈকে লিখিছিল?

৮. কোনগৰাকী প্ৰধানমন্ত্ৰীয়ে সাহিত্যৰ বাবে ন'বেল বঁটা পাইছিল?

৯. ইংৰাজি কবিতাৰ জনক বুলি কাক কোৱা হয়?

১০. তেওঁৰ ৰচিত গ্ৰন্থৰ নাম কি?

উত্তৰ

তেওঁ কোন

তুলসীদাস।

সাহিত্য

১. চাৰ্লছ লুইছ ডজ্চন।

২. গণিতৰ অধ্যাপক।

৩. জেকব গ্ৰিম আৰু ৱিলহেলম গ্ৰিম।

৪. মাণ্ডাৰিন।

৫. ভাৰতীয় শব্দ 'মন্ত্ৰী'ৰপৰা।

৬. এহেজাৰ পাঁচশ।

৭. জৰ্জ বাৰ্নাৰ্ড খ।

৮. উইনষ্টন চাৰ্চিল।

৯. জিঅ'ফ্ৰে চছাৰ।

১০. দ্য কেণ্টাৰবাৰি টে'লছ।

নেহৰু-উপাখ্যান-৭

অৱশেষত দেশীয় ৰাজ্য নাভা-ৰ চৰকাৰে জৱহৰলালক কাৰাগাৰৰপৰা মুক্তি দিছিল; কিন্তু তেওঁক টাইফাছ জীৱাণুৱে আক্ৰমণ কৰিলে। তেওঁ যেতিয়া টাইফয়েড বেমাৰত শয্যাশায়ী হৈ পৰিল—তেতিয়া অৱশ্যে সাময়িকভাৱে বিপুল কৰ্মভাৰৰপৰা সকাহ পোৱা হ'ল।

১৯২৩ চনত অনুষ্ঠিত জাতীয় কংগ্ৰেছৰ কাকিনাড়া অধিবেশনত অন্যতম সন্মানীয় জাতীয়তাবাদী এম্. মোহম্মদ আলীক সভাপতি পতা হ'ল। তেওঁৰ উদ্যোগত জৱহৰলালক কংগ্ৰেছৰ চেক্ৰেটৰি হ'ল।



এই ঘটনাৰ অল্পকালৰ পাছত তেওঁৰ এক নতুন ধৰণৰ অভিজ্ঞতা হ'ল। ঠিক তেতিয়াই গংগা যমুনা আৰু নেদেখা সৰস্বতী নৈৰ বা ত্ৰিবেণী সংগমত ভাৰতবৰ্ষৰ সুপ্ৰাচীন কুম্ভমেলা অনুষ্ঠিত হ'ব ধৰিছিল এলাহাবাদৰ ওচৰত। এই ঘটনা আছিল এক বিৰাট ঘটনা।

কিন্তু নিৰাপত্তাৰ চেলু লৈ চৰকাৰে ত্ৰিবেণী সংগমত পুণ্যস্নান নিষিদ্ধ কৰি দিলে আৰু জনসাধাৰণ যাতে একোপধ্যে সংগমৰ পানীলৈ যাব নোৱাৰে তাৰ বাবে অশ্বাৰোহী চিপাহীৰে আৰু ওখ বেৰাৰে মেলাৰ ঠাইডোখৰ ঘেৰি পেলালে।

জনগণৰ প্ৰিয় নেতা পণ্ডিত মদনমোহন মালব্যাই চৰকাৰৰ এই কাৰ্য্যত বেয়া পাই নৈৰ বালিত সত্যাগ্ৰহ আৰম্ভ কৰিলে আৰু তাত উপস্থিত থকা হাজাৰ হাজাৰ মানুহৰ লগত জৱাহৰলালো সেই সত্যাগ্ৰহত যোগদান কৰিলে।

সময় অতিবাহিত হৈ থাকিল। বেলিয়ে থাওঁ ঘাওঁ মূৰ্তি ধৰিলে, বালি অতিপাত তপত হৈ উঠিল। আবেলিৰ ফালে জৱাহৰলালৰ ধৈৰ্য্যচ্যুতি ঘটিল। তেওঁ সেই ওখ বেৰাৰ ওপৰত উঠি কংগ্ৰেছৰ পতাকা দাণ্ডি ধৰি বহি থাকিল।

জৱহৰক অনুসৰণ কৰি হাজাৰ-বিজাৰ মানুহ বেৰাৰ ওপৰত উঠিলগৈ। সেই বেৰাৰ তক্তাবোৰ ভাগি পৰিল আৰু জনসাধাৰণ সংগমৰ পানীৰ বুকুলৈ জঁপিয়াই পৰিল। জৱহৰলাল আৰু পণ্ডিত মালব্যয়ো সংগমত ডুব দিলে।



আমেদাবাদত অনুষ্ঠিত কংগ্ৰেছ-কমিটিৰ এখন সভাত গান্ধীজীয়ে প্ৰস্তাৱ উত্থাপন কৰিলে যে কেৱল সূতা কটা-বোৱা কৰাসকলহে কংগ্ৰেছৰ সদস্য হোৱাৰ যোগ্য বুলি গণ্য হ'ব। কিন্তু মতিলাল আৰু চিত্তৰঞ্জন দাশে গান্ধীজীৰ এই প্ৰস্তাৱৰ বিৰুদ্ধে থিয় দিয়াত গান্ধীজীয়ে তেওঁৰ প্ৰস্তাৱ প্ৰত্যাহাৰ কৰি ল'লে।

১৯২৪ চনত অনুষ্ঠিত বেলগাঁও কংগ্ৰেছত গান্ধীজী আছিল সভাপতি। গান্ধীজীৰ প্ৰস্তাৱমতে জৱহৰলালক দ্বিতীয়বাৰৰ বাবে কংগ্ৰেছৰ ছেক্ৰেটাৰি পতা হ'ল। জৱহৰলাল জনসাধাৰণৰ মাজত যে ক্ৰমাত জনপ্ৰিয় হৈ উঠিছে, গান্ধীজীয়ে সেই কথালৈ মন নকৰাকৈ নাছিল।



১৯২৫ চনৰ জহকালি মতিলাল অসুস্থ হৈ পৰিল। তেওঁ সপৰিয়ালে হিমালয়লৈ গ'ল। তাত জৱাহৰলালেও যোগ দিলেগৈ। তেওঁলোক যেতিয়া চম্বা নামৰ ঠাইত আছিল, তেতিয়া তেওঁলোকে বাতৰি পালে যে দেশবন্ধু চিত্তৰঞ্জন দাশ ইহজগতত নাই। লগে লগে পিতা-পুত্ৰ উভয়ে কলিকতালৈ বুলি ঢাপলি মেলিলে।

১৯২৪ চনত এলাহাবাদত এক সাম্প্ৰদায়িক গণ্ডগোলৰ সূত্ৰপাত হৈছিল। এই কথাত জৱাহৰলাল বৰ বিষাদগ্ৰস্ত হৈ পৰিছিল। মুছলমানসকলে হিন্দুসকলৰ সমদল মছজিদৰ ওচৰে-পাঁজৰেদি যাবলৈ নিদিয়ে; যদিও ধৰ্মীয় সমদল আছিল হিন্দু-জীৱনৰ অংগস্বৰূপ।

প্ৰতিবাৰস্বৰূপে হিন্দুসকলে ৰামলীলাৰ শোভাযাত্ৰা বন্ধ কৰিলে। সৰুতে যে কেনেকৈ তেওঁ নিজেও ৰামলীলাৰ শোভাযাত্ৰাত যোগদান কৰিছিল, সেই কথা জৱাহৰলালৰ মনত পৰিল। সাধাৰণ বুজা-পৰাৰ অভাৱত উৎসৱৰ মনোভাৱ বিনষ্ট হোৱাত তেওঁ ব্যথিত হ'ল। [আগলৈ

বুদ্ধিৰ বোন্দোৰা

মায়াৱতী গাঁৱত সোমসুন্দৰ নামৰ এজন আঢ্যৱন্ত গৃহস্থ আছিল। শৰভ নামৰ অৱস্থাসম্পন্ন খেতিয়ক এজন আছিল সোমসুন্দৰৰ চুবুৰীয়া। কিবা এটা সৰুসুৰা কথাত দুয়োৰো মাজত অলপ খকা-খুন্দা লগাত শৰভে কাপোৰৰ তলত কিলাকুটি চাঁচিবলৈ ধৰিলে।

এদিন শৰভে সোমসুন্দৰৰ বাৰীত থকা শাক-পাচলি আৰু ফুলৰ বাগানলৈ ছাগলী মেলি দিলে।

আন এদিন, সোমসুন্দৰৰ ছোৱালী-জনীৰ বিয়াৰ বাবে খবৰ-বাতৰি ল'বলৈ আহোঁত দৰা-ঘৰীয়াক শৰভে নানান কথা লগাই বাটৰেপৰাই ঘূৰাই পঠালে।

এনেবোৰ ঘটনাৰ অন্তত এদিন সোমসুন্দৰে ভাবিলে : চুবুৰীয়াৰ সৈতে দন্দ-বান্দ কৰিব নাপায়। এই বৈৰিতা অনুচিত। যেনেকৈয়েই নহওক—শৰভৰ সৈতে সুসম্পৰ্ক গঢ়ি তুলিব লাগিব। কিন্তু তথাপি এই কথা ভাবি সোমসুন্দৰে তেওঁৰ সুন্দৰ চিন্তাখিনি ধোঁৱাচাঙত তুলি থ'লে যে—তেওঁ নিজেই যদি এই কথাত শৰভৰ কাষ চাপে, তেনেহ'লে শৰভৰ চকুত তেওঁ সৰু হৈ যাব।

এনেবোৰ কথা ভাবি থাকোঁতেই শাৰংগ নামৰ মানুহ এজন আহিল সোমসুন্দৰৰপৰা অলপ টকা বিচাৰি।

ছেগ বুজি সোমসুন্দৰে উচটীয়া মাতেৰে শাৰংগক ক'লে, "বহুতেই কয়—তুমি হেনো বৰ বুদ্ধিমন্ত। কিন্তু মই আজিপৰ্য্যন্ত তোমাৰ বুদ্ধিৰ প্ৰমাণ নাপালোঁ।"

শাৰংগই ক'লে, "ডাঙৰীয়া, মই অলপ

বিমল পালিত

ধন খুজি আহিছোঁ আপোনাৰ ওচৰলৈ।"

"তেনেহ'লে শুনা। তুমি যদি শৰভৰ সৈতে মোৰ পৰা বুজাপৰা এটা কৰি দিব পাৰা, মই তোমাকেই বুদ্ধিৰ বোন্দোৰা বুলি গণিম-মানিম আৰু জোখে-জোখাৰে ধনো দিম।" সোমসুন্দৰে ক'লে আৰু শুনি শাৰংগ গুচি গ'ল।

পাছদিনা শৰভ নিজেই সোমসুন্দৰৰ ঘৰলৈ আহিল আৰু ক'লে, "আগৰ কথা বাঘে খাওক, আমাৰ বিৰোধ গুচি যাওক। এতিয়াৰপৰা আমি বন্ধু হৈ থাকিম। মোৰ ল'ৰাটোৰ বিয়া পাতিছোঁ, আপুনি নিশ্চয় যাব লাগিব, পা-পৰিয়ালে বিয়া খাব লাগিব।" এই বুলি কৈ শৰভ গ'লগৈ।

পাছদিনা শাৰংগ পুনৰ ওলালহি। বিস্মিত সোমসুন্দৰে শাৰংগক সুধিলে, "শাৰংগ, তুমি শৰভক কি কৈছিলানো?"

শাৰংগই মৃদুকৈ হাঁহিলে আৰু ক'লে, "মই শৰভক ক'লোঁ যে—চুবুৰীয়াৰ খং ধাৰ কৰিব নলাগে। অকাৰণ শত্ৰুতাৰে কেনেকুৱা হানি হয়, উদাহৰণৰে সৈতে মই তেওঁক কৈছিলোঁ। কৈছিলোঁ যে—তেৱেঁই বুদ্ধিমন্ত, যিজনে শত্ৰুতাক মিত্ৰতালৈ পৰ্য্যৱসিত কৰিব পাৰে।"

"তেনেহ'লে—তোমাৰ মতে—মোতকৈ শৰভেই হ'ল অধিক বুদ্ধিমন্ত। নহয়?" সোমসুন্দৰে কোঁহকোঁহাই উঠি ক'লে।

"নহয়, আপুনি শৰভতকৈ ঢেৰ বুদ্ধিমন্ত। নহ'লে—আপুনি কিয় শৰভৰ সৈতে বন্ধুতাৰ কথা চিন্তিছিল?" শাৰংগই ক'লে, "কতা, শৰভে তো আ আগৰ চিন্তা আগতে কৰা নাছিল!"

"নহয়হে— " সোমসুন্দৰে ক'লে, "তুমিহে আচল বুদ্ধিৰ বোন্দোৰা। তুমিয়েই তো আমাৰ বৈৰিতাক ভাঙি সমাৰ-মাৰকৈ সমিল-মিল কৰি দিলা।"

সোমসুন্দৰে শাৰংগক জোখে-জোখাৰে ধন দি বিদায় কৰিছিল।



কৃষ্ণাৱতাৰ

২৩

পৌণ্ড্ৰ বাসুদেৱে
যেতিয়া দ্বাৰকা আক্ৰমণ
কৰিবলৈ সাজু হৈ আছিল ঠিক
তেতিয়াই নাৰদ মুনি তালৈ উপস্থিত
হ'লগৈ। পৌণ্ড্ৰই নাৰদ মুনিক আদৰি আগ
বঢ়াই আনিলেগৈ, আৰু নাৰদ মুনিক সুবৰ্ণ আসন
পাৰি উপবেশন কৰিবলৈ দিলে আৰু ক'লে, "হে মহানুভৱ।
আপুনি সৰ্বলোকতে গমনা-গমন কৰে, আপোনাক কোনেও ক'তো
বাধা নিদিয়ে। সেই কাৰণে, হে মুনিশ্বৰ! আপুনি সৰ্বলোকতে প্ৰচাৰ কৰি
দিয়ক যে মই কৃষ্ণক আক্ৰমণ কৰিবলৈ ওলাইছোঁ।" এই গোপ-বালকটিয়ে মোৰ
নামতে খ্যাত হৈছে।" এই কথা শুনি মুহুৰ্তকে হাঁহি মাৰি ক'লে. "এই কথা ঠিক যে মই
সৰ্বলোকতে ঘূৰি ফুৰোঁ, আৰু সকলো সজ্জনেই মোক মৰম-শ্ৰদ্ধাও কৰে।
কিন্তু তুমি যে কিয় কৃষ্ণক আক্ৰমণ কৰিবাগৈ. তুমিহে জানা।
পৰ্বতৰ তুলনাত শিলগুটিৰ দৰে কৃষ্ণৰ আগতো
তুমি। তোমাৰ নামো বাসুদেৱ, আৰু শংখ
চক্ৰ গদা তোমাৰো নথকা নহয়।
কিন্তু তথাপি তুমি কদাপি
কৃষ্ণৰ সমতুল্য
নহয়।"

'পৌণ্ড্ৰ-বাসুদেৱ বধ'

নাৰদমুনিৰ কথা শুনি পৌণ্ড্ৰ হাঁহি উঠিল আৰু হাঁহি হাঁহিয়েই ক'লে, "আপোনাৰ এই কথাৰ প্ৰতিবাদ কৰিলে আপুনি মোক বেয়া পাব, অভিশাপ দিব। এই কাৰণে, আপোনাৰ কথাৰ প্ৰতিবাদ কৰাটোও টান। এই কথাখিনি আন কোনোবাই কোৱাহেঁতেন কেতিয়াবাই ছুছোৰা কৰিলোহেঁতেন। যি কি নহওক, আপোনাৰ লগত বাদ-প্ৰতিবাদ কৰাৰো মোৰ সময় নাই। এনেকুৱা দিনো আহিব, যিদিনা আপুনিও মোৰ গুণহে গাব। ঠিক আছে, আপুনি এতিয়া বিদায় লওক।"

নাৰদমুনিয়ে পৌণ্ড্ৰৰ কথাৰ 'প্ৰতিবাদ নকৰিলে। তেওঁ পোনে পোনেই বদৰিকা-আশ্ৰমলৈ গৈ পৌণ্ড্ৰৰ যুদ্ধ-প্ৰস্তুতিৰ বাতৰি প্ৰদান কৰাৰ পাছত গুচি গ'ল।

আৰু বিৰাট সৈন্যবাহিনীৰে সৈতে পৌণ্ড্ৰ দ্বাৰকালৈ বুলি ৰাওনা কৰিলে। হাজাৰ হাজাৰ জোঁৰ জ্বলাই লৈ পৌণ্ড্ৰৰ সৈন্যহঁত দ্বাৰকাৰ পূৰ্ব দুৱাৰ পালেগৈ। দ্বাৰকাৰ চাৰিওদিশতে বিৰাট-বিপুল ৰণধ্বনি বাজি উঠিল।

যাদৱসকলে আগৰেপৰাই সাৱধান হৈ আছিল। গতিকে পৌণ্ড্ৰৰ আক্ৰমণত তেওঁলোক বিচলিত নহ'ল। যাদৱসকলে নিজ সৈন্যবাহিনীক সাজু কৰিলে আৰু তাৰ পাছত উগ্ৰসেন কৃতবৰ্মা বলৰাম সাত্যকি প্ৰমুখ সৈন্যবাহিনীৰে সৈতে ৰণ দিবলৈ ওলাল আৰু পৌণ্ড্ৰৰ বাহিনীক ভয়ংকৰ ভাৱে আক্ৰমণ কৰিলে। দুয়োপক্ষৰ হস্তী অশ্ব ৰথ আদি বিনষ্ট হৈ থাকিল।

এফালে উভয় পক্ষৰ মাজত তুমুল ৰণ চলি থাকিল, আৰু অন্য ফালে পৌণ্ড্ৰৰ দলৰ একলব্য নামৰ যোদ্ধা এজনে নিজৰ নাম ঘোষণা কৰি সাত্যকি বলৰাম কৃতবৰ্মা আদিক সন্মুখ-সমৰলৈ আহ্বান জনালে আৰু আটাইকেইজনলৈ বাণ এৰিলে। জোঁৰ বাহিনীয়ে জ্বলন্ত জোঁৰ এৰিলে। সমগ্ৰ ৰণথলী আৰ্তনাদেৰে ভৰি পৰিল।

তেতিয়া তেওঁৰ বিজয় সম্পূর্ণ হ'ল বুলি ভাবি পৌণ্ড্ৰই উচ্চ কণ্ঠেৰে ক'লে, "দুৰ্গৰ প্ৰাচীৰলৈ বগাই উঠা আৰু দুৰ্গৰ পতাকা ছিঙি পেলাই দিয়া। নগৰ অধিকাৰ কৰা।" পৌণ্ড্ৰৰ এনে বিজয় ঘোষণা শুনি পৌণ্ড্ৰৰ সৈন্যইঁতৰ গগনফলা চিঞৰ মাৰি উলাহতে জঁপিয়াবলৈ ধৰিলে।

এই দৃশ্য দেখি সাত্যকি অগ্নিবর্ণ হৈ উঠিল। কৃষ্ণই নগৰ ৰক্ষাৰ দায়িত্ব তেওঁৰ ওপৰত সঁপি দি গ'ল। শত্রুৱে যদি কেনেবাকৈ নগৰ অধিকাৰ কৰিব পাৰে, তেনেহ'লে অপযশৰ পাৰ-কূল নোহোৱা হ'ব। এই কাৰণে তেওঁলোকৰ ৰণুৱাসকললৈ সাত্যকীয়ে ক'লে, "চোৱা, চাই থাকা মই কেনেকৈ শত্ৰুক নির্মূল কৰোঁ। এই নগৰ ৰক্ষাৰ দায়িত্ব যে আমাৰ—সেই কথা বাৰু পাহৰিলাইনে?"

এই বুলি কৈ সাত্যকিয়ে আগ্নেয়াস্ত্র এৰিলে আৰু দুৰ্গৰ প্ৰাচীৰত বগাই উঠিবলৈ ধৰা পৌণ্ড্ৰৰ সৈন্যইঁতৰ কিছুমান মৰিল আৰু কিছুমান উফৰি পলাল। তেতিয়া সাত্যকিয়ে উচ্চ কণ্ঠেৰে ক'লে, "ৰাজবেশ ধৰি অহা ৰাজমর্য্যাদাহীন চোৰ এটাই ৰাতিৰ আঁৰ লৈ যুদ্ধ কৰিবলৈ অহাটো ক'ত আছে? মই তাক যুঁজিবলৈ আহ্বান জনাইছোঁ।"

এই অপমানকৰ কথা শুনি উত্তেজিত হৈ পৌণ্ড্ৰই ক'লে, "হে সাত্যকি! তুমি



ৰণ দিবলৈ ওলাইছা, বৰ ভাল কথা। কিন্তু—কৃষ্ণ ক'লৈ পলাল ? কৃষ্ণই দেখোন গাই চৰাব ; তাকে নকৰি, গৰখীয়া-কাম এৰি গঁড়-ৰখীয়াৰ ভাও জুৰি আলেঙে আলেঙে পলাই ফুৰিছে কিয় ? এই কৃষ্ণ বোলাটোৱে মোৰ বন্ধু নৰকক সংহাৰ কৰিলে। এই কাৰণে মই তাক যুদ্ধৰ জুতি অতি ভালকৈ দিবলৈ ওলাইছোঁ। তোমাৰ বিৰুদ্ধে মই যদি অস্ত্ৰধাৰণ কৰোঁ, মোৰ অপযশ হ'ব, মোৰ পক্ষে লাজৰহে কথা হ'ব। গতিকে—তুমি মোৰ সমুখৰপৰা আঁতৰ হোৱা। কিয়নো—মই নিমিষতে তোমাক যমৰ আলহী কৰিব পাৰোঁ। তেতিয়া তোমাৰ সেই কিঞ্চ বোলাটোৰ গো-পালটোৰ অহংকাৰ চূৰ্ণ-বিচূৰ্ণ হ'ব। সি যে এই নগৰৰ দায়িত্ব তোমাৰ ওপৰত জাপি কৈলাসলৈ পলাল, কথাটো মই নজনা নহয়। সি উভতি অহাৰ প/ছতো মই তাৰ খবৰ লম বাৰু। সম্প্ৰতে তাৰ আনন্দৰ হেতুকে তোমাৰ মৰণ হওক।"

তাৰ পাছত দুয়োৰো মাজত যুদ্ধ আৰম্ভ হ'ল। আৰু অৱশেষত উভয় পক্ষীয় যোদ্ধাহঁতে দুয়োজনৰ মাজত থিয় হৈ দুয়োকো আঁতৰ কৰিলে।

আৰু এতিয়া লাগি পৰিল একলব্য আৰু বলৰামৰ মাজত তয়াময়া। এই যুদ্ধত বলৰামে হলায়ুধ প্ৰয়োগ কৰি এক-লব্যক অচেতন কৰি পেলালে আৰু শত্ৰুসেনাক ছেদ-ভেদ কৰি দিলে।

ইতিমধ্যে একলব্যই চেতনা ঘূৰাই পালে, আৰু পুনৰ বলৰামৰ ওপৰত জঁপিয়াই পৰিল। দুয়োজনৰ মাজত ভয়ানক যুদ্ধ চলি থাকিল।

সিফালে—দ্বাৰকাৰ পূব দিশত চলি থকা ৰণ পৌণ্ড্ৰই স্থগিত কৰাব আদেশ দিলে আৰু ক'লে, "আমি ইয়াত যিমানেই শত্ৰুসৈন্য নামাৰোঁ, সকলো ব্যৰ্থ হ'ব। কিয়নো—আমাৰ আচল শত্ৰুনো ক'ত ? গতিকে—এই যুদ্ধ নিৰৰ্থক। গতিকে—

কৃষ্ণ অহাৰ পাছতহে আমি আমাৰ শৌৰ্য্য আৰু পৰাক্ৰমৰ পৰিচয় প্ৰদান কৰিম।”

পৌণ্ড্ৰৰ সৈন্যবিলাকৰ হুঁহকি গ'ল। আৰু কৃষ্ণৰ আগমনলৈ বাট চাই তাতে ৰৈ থাকিল।

ইপিনে দ্বাৰকাত যাদৱসকলে যুদ্ধত বিজয়ৰ চিনস্বৰূপে তূৰ্য্যনাদ কৰিলে আৰু নগৰলৈ গুচি গ'ল।

আৰু এনেতে আকাশপথেৰে কৃষ্ণ আহি থকা দেখা গ'ল। কৃষ্ণ গৰুড়-বাহনৰ পিঠিৰপৰা নগৰৰ বাহিৰত নামিলহি আৰু দাৰুকে লৈ অহা ৰথত উঠি নগৰলৈ গ'ল। বাৰ বছৰৰ অন্তত কৃষ্ণৰ দৰ্শন লাভ কৰি যাদৱ তথা তথা গো-পালকসকল অতি প্ৰসন্ন হ'ল। কৃষ্ণই যাদৱসকলক তেওঁৰ কৈলাস-যাত্ৰাৰ বিৱৰণ বিবৰি ক'লে আৰু পৌণ্ড্ৰৰ যুদ্ধৰ বাতৰি শুনিলে।

কৃষ্ণ পুনৰ দ্বাৰকালৈ অহাৰ সম্বাদ পাই পৌণ্ড্ৰই তেওঁৰ এক কটকীৰ হতুৱা কৃষ্ণলৈ এই সমিচাৰ প্ৰেৰণ কৰিলে:

“গৰুবিলাকৰ মাজত জনম লোৱাই‌নো ধৰ্মৰ কথা কি জানিবা? নাৰী, পশু, আৰু আত্মীয়স্বজনকো বধি তুমি ক্ষান্ত হোৱা নাই, তুমি মোৰ নাম আৰু চিহ্নও ধাৰণ কৰিছা। কিন্তু তুমি কোনো-ফালৰেপৰাই মোধ সমকক্ষতা আৰ্জিব নোৱাৰিবা। যদি তোমাৰ জীয়াই থকাৰ মন আছে — মোৰ চৰ্তমতে চক্ৰ এৰা,





নিজৰ নামৰ সৈতে মোৰ নাম ব্যৱহাৰ কৰাৰ অভ্যাস পৰিত্যাগ কৰা আৰু তুমি মোৰ অনতিপলমে শৰণ লোৱাঁ।"

কটকীৰ মুখে পৌণ্ড্ৰৰ এই সাৱধান-বাণী শুনি কৃষ্ণই হাঁহি উঠিল আৰু ক'লে, "মই তোমাৰ ৰজাৰ কথা পালন কৰিম। মোক তেওঁ মাতি পঠাইছে, গতিকে মই নিশ্চয় যাম। মোক চক্ৰ এৰিবলৈ কৈছে, তেওঁৰ ওপৰতে এৰিম। তেওঁ শৰণৰ কথা কৈছে, এই কাৰণে মই মৰণত শৰণ দি আগুৰাই যাম। ডাঙৰ লোকৰ কথা উলাই কৰিব নাপায়।" এই বুলি কোৱাৰ অন্তত কৃষ্ণই দূতক যথাবিধি সৎকাৰ কৰি বিদায় দিলে।

নিজ দূতৰ মুখে কৃষ্ণই কোৱা কথাখিনি শুনি পৌণ্ড্ৰই সেনা সুসজ্জিত কৰি কাশী নগৰৰ বাহিৰত বন্ধু ৰজা কাশীনৰেশৰ সহযোগত কৃষ্ণক ভেটিবলৈ কৃষ্ণৰ আগমনলৈ বাট চাই ৰৈ থাকিল।

কৃষ্ণক ওলাবলৈ সাজু হোৱা দেখি সাত্যকি প্ৰমুখয়ো নিজ নিজ সৈন্য-বাহিনীৰে সৈতে ওলাবলৈ সাজু হ'ল। কিন্তু কৃষ্ণই তেওঁলোকক বাধা দি ক'লে, "যুদ্ধত তোমালোক বিজয়ী হৈছিলা; এতিয়া মোৰ পাল।"

তাৰ পাছত কৃষ্ণ গৰুড়ৰ পিঠিত উঠি পৌণ্ড্ৰ থকা ঠাইলৈ গ'ল। আৰু চাওঁতে চাওঁতে দুয়ো বাসুদেৱে সমুখা-সমুখিকৈ থিয় দিলে।

কৃষ্ণই পৌণ্ড্ৰক ক'লে, "হে পৌণ্ড্ৰৰাজ! তুমি যদি মোৰ সমস্ত চিহ্ন ধাৰণ কৰিবলৈ মন মেলিছা, মোৰ ওচৰত প্ৰাৰ্থনা কৰা-হেঁতেন মই স্বীকৃতি দিলোহেঁতেন। তুমি কেলেইনো এনেকুৱা মূৰ্খালি কৰিলা? এতিয়াও যদি মোৰ শৰণ লোৱা, মই তোমাক ক্ষমা কৰিম। মোৰ চক্ৰেৰে কুচক্ৰী নৰকাসুৰ আৰু আন বহুতেও প্ৰাণ হেৰুৱালে, আৰু ইয়াত উপস্থিত থকা কোনেও তোমাক মোৰ চক্ৰৰপৰা



ৰক্ষা কৰিব নোৱাৰিব। তোমাৰ ভালৰ কাৰণে মই সত্য কথাকে কৈছোঁ।"

"তুমি নিজেই মোৰ চিহ্ন ধাৰণ কৰিছা, আৰু তাৰ কাৰণে তোমাক দণ্ড দান কৰিবলৈহে মই আহিছোঁ। মোৰ বাতৰি পাই তুমি চোৰৰ দৰে কৈলাসত সোমাই আছিলাগৈ। যি কি নহওক—এতিয়া যে আহিলা ভালেই হ'ল, যমে তোমাৰ বাট চাই আছে।" পৌণ্ড্ৰই ক'লে।

আৰু তাৰ পাছ মুহূৰ্ত্ততে যুদ্ধ লাগি পৰিল। কৃষ্ণই পৌণ্ড্ৰৰ সকলো অস্ত্ৰ-শস্ত্ৰ চূৰ্ণ কৰি দিলে, আৰু শেহান্তৰত চক্ৰেৰে পৌণ্ড্ৰক বধিলে।

বন্ধুবৰ পৌণ্ড্ৰৰ মৃত্যু সম্বাদ পোৱামাত্ৰেই বন্ধু কাশীৰাজ কৃষ্ণৰ বিৰুদ্ধে ঢপলিয়াই আহিল আৰু কৃষ্ণই সামান্য অস্ত্ৰেৰে কাশীৰাজৰ মস্তক কাটি পেলালে। কাশী-ৰাজৰ সেই কটা মস্তক কাশী নগৰৰ সোঁমাজত উফৰি পৰিলগৈ।

কাশীৰাজৰ পুত্ৰই একমাত্ৰ তেওঁলোকৰ পুৰোহিতৰ দ্বাৰা পিতৃৰ দহাকাৰ্য্য সম্পন্ন কৰাৰ পাছত সেই ভস্মীভূত মৃতদেহৰপৰা কৃত্যা নামৰ এক ভয়ংকৰ পিশাচ উপজিল আৰু পিশাচ কৃত্যাই কাশীনৰেশৰ পুত্ৰক সুধিলে, "মোক আদেশ দিয়ক—মই কি কৰিব লাগিব।"

কাশীনৰেশৰ পুত্ৰই পিশাচ কৃত্যাক ক'লে, "তুমি কৃষ্ণক বধ কৰি আহাঁগৈ।"

পিশাচ কৃত্যা তৎক্ষণাৎ দ্বাৰকা পালেগৈ। বিশালদেহী পিশাচ কৃত্যাক দেখা পাই দ্বাৰকাবাসী অতিপাত ভীত হৈ পৰিল আৰু কৃষ্ণক ক'লেগৈ। কৃষ্ণই লগে লগে সুদৰ্শন চক্ৰ এৰিলে আৰু ফেঁটীৰ মূৰ ছিঙা লৰ দি কৃত্যা-পিশাচে পুনৰ কাশীলৈ বুলি ঢাপলি মেলিলে। কিন্তু পিশাচ কৃত্যাৰ পিছে পিছে সুদৰ্শন চক্ৰয়ো কাশীলৈ খেদি গ'ল, আৰু কাশীৰ অধিবাসীসকলো নিৰ্মূল কৰিবলৈ ধৰিলে।



বৰমন-কণমন

কোনোবা এখন গাঁৱত বৰমন নামৰ কোনোবা এজন ধনৱান ব্যক্তি আছিল। তেওঁ দান-দক্ষিণা জাতি-ধৰ্ম নিৰ্বিশেষে উদাৰভাৱে দিয়াৰ কাৰণে ৰাইজৰপৰা সুখ্যাতি তথা শ্ৰদ্ধাও আৰ্জিছিল।

চুবুৰীয়া গাঁৱত আন এজন ধনী মানুহ আছিল। কিন্তু এওঁ আছিল কৰাইচৰো কৰাইচ। আনকি কাউৰী-কুকুৰা এটায়ো এটা খুদকণ বিচাৰি নাপাইছিল এওঁৰ চোতালত। সেই কাৰণে, যিখিনি ৰাইজে সি গাঁৰৰ ধনিক মানুহজনক শলাগিছিল, সেই একেইখিনি ৰাইজে চুবুৰীয়াগাঁৰৰ ধনিকক নিন্দা কৰিছিল।

শুনি শুনি এদিন কৰাইচ-ধনিকে ভাবিলে ঃ যেনেকৈয়েই নহওক এই দুৰ্নাম দুৰ্যশ মোৰ জীৱনৰপৰা গুচাব লাগিব।

কৰাইচ-ধনিক কনমণৰ আছিল এজন বিশ্বাসী কাম কৰা মানুহ। তাৰ নাম হৰকান্ত। ধনিক কণমনে হৰকান্তক তেওঁৰ মনৰ অভিলাসৰ কথা কৈ দুৰ্নাম গুচাবলৈ কিবা এটা উপায় চিন্তিবলৈ ক'লে।

হৰকান্তই কিছু সময় ধৰি ভাবি-গুণি ক'লে, "মালিক, ইমান কালৰ পাছত যে ৰাইজে আপোনাক দিয়ন-দাতা বুলি ক'ব, তাৰ সম্ভাৱনা দেখা নাই! কিন্তু মানে—চুবুৰীয়া গাঁৱৰ ধনৱান বৰমনদেৰক অতি সহজেই ভাঁৰিব পৰা যাব। ধনৱান বৰমনদেৱক আপুনি এদিন আমাৰ ঘৰলৈ ভাত খাবলৈ মাতক। তেওঁ যেতিয়া আমাৰ ঘৰলৈ আহিব, তেতিয়া, মই বিভিন্ন ভেশ লৈ আপোনাৰ ওচৰলৈ আহিম ভিক্ষা খুজি। আপুনি তেওঁক দেখুৱাই প্ৰতি-

‘পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী’



বাৰেই মোক এশ মুদ্ৰাকৈ ভিক্ষা দিব। এইদৰে, প্ৰকৃতাৰ্থ এটা ফুটা কড়িও খৰচ নকৰাকৈ আপুনি অনায়াসে ফাফুকন বোলাব পাৰিব, আৰু দিয়ন-দাতা হিচাপেও দহো ৰাইজৰ ওচৰত যশস্যা আৰ্জিব পৰা হ'ব।"

"তোমাৰ দিহা-বুধি বাস্তৱিকতে শলাগিবৰ যোগ্য। তোমাৰ বুদ্ধিৰ তুলনা নাই।" কৰাইচে ক'লে।

হৰকান্ত দিয়ন-দাতা বৰমনদেৰৰ গাঁৱলৈ বুলি ওলাল। গৈ গৈ বৰমনদেৰৰ ঘৰ পালেগৈ, আৰু নম্ৰতাৰে বৰমনদেৰক ক'লে, "ডাঙৰীয়া, আমাৰ দৌতাই আপোনাক কালিলৈ সন্মান সহকাৰে তেওঁৰ গৰীব ঘৰলৈ নিমন্ত্ৰণ জনাইছে।"

ধনৱান-দয়াৱান বৰমনে হৰকান্তলৈ নীৰৱ হাঁহিৰে চালে আৰু খুব সৰু সৰুকৈ ক'লে, "এৰা, নিমন্ত্ৰণ তো কৰিলা। পিছে—তোমাৰ দৌতাই হেনো কুকুৰ-মেকুৰীকো ভুলতো জীৱনতো এমুঠি ভাত দিয়া নাই, তোমালোকৰ তাত হেনো কাউৰী-কুকুৰাও নপৰে। তেনেস্থলত মোক নিমন্ত্ৰণ কৰিছা—কথা দেখোন বৰ কেনেবা কেনেবাহে লাগিছে।"

"মহাশয়, হিংসাকুৰীয়া ৰাইজে আমাৰ দেউতাৰ নামত যি কৈছে, আপুনি তাকে জানিছে, আৰু মানিছে। আপোনাৰ দোষ নাই, আপুনি কেনেকৈনো কি জানিব? যি শুনিব তাকে মানিব। কিন্তু মোৰপৰা আপুনি লাখ কথাৰ এক কথা হক কথা শুনিব। আমাৰ কণমনদেউ আচলতে বৰমনৰ ব্যক্তি, মহা-দানী। তেওঁ আনকি সাধাৰণৰো সাধাৰণ ভিখাৰীকো এশতকৈ কম মুদ্ৰা দান নকৰে। কিন্তু তেওঁৰ দান হ'ল গুপ্তদান। আপুনি মোৰ কথাত পতিয়ন নগ'লেও হ'ব কালিলৈ আমাৰ তালৈ গ'লেই নিজ চকুৰেই দেখা পাব, আৰু তেতিয়া চক্ষু-কৰ্ণৰ বিবাদ ভঞ্জন হ'ব। এতিয়ালৈকে তেওঁ ঠিক এক লাখ

ভিখাৰী তথা প্ৰাৰ্থীক দান সমাপ্ত কৰিলে, আৰু সেই উপলক্ষ্যে তেওঁ বিশিষ্ট কোনোবা মান্য-গণ্য এগৰাকীক নিমন্ত্ৰণ কৰি যথা-যোগ্যভাৱে খুৱাব বুলিহে আপোনাক নিমন্ত্ৰণ কৰিলে। কিয়নো—আপোনাৰ বাহিৰে আমাৰ দৌতাৰ সমান আন তো ক'তো-কোনো নাই।" হৰকান্তই হৰহৰকৈ ধনৱান-বৰমনক কৈ গ'ল।

আহিল দিয়ন-দাতা বৰমনদেউ আহিল কণমনৰ ঘৰলৈ। কণমনে আথেবেথে বহুৱাই সুধিলে, "আপুনি আপোনাৰ চাকৰটোক লগত লৈ নাহিল কিয়?"

"এটা সকুমুৰা কামৰ কাৰণে সি বৈ গ'ল। কামটো সামৰি ওলাবহি সি।" দিয়ন-দাতা বৰমমদেৱে ক'লে।

"দেখিলেই নহয়—মোৰ কামকৰা মানুহটোৱে—মই যে আজিলৈকে এক লাখ ভিখাৰীক ভিক্ষা দিলোঁ—আপোনাৰ কাণ ছোৱালেই সি। কিন্তু দান-ধৰ্ম গুপুতে কৰাটোহে মোৰ পচন। যি কি নহওক, মোৰ বিশেষ অনুৰোধ, মোৰ এই দানৰ কথাটো আপুনি কাকো ভুলতো নক'ব।" কৰাইচে ক'লে।

তেনেতে হৰকান্তই আহি ক'লে, "দৌতা, মই আপোনাৰ নেৰায়ণ পূজাৰ যোগাৰ-যাগাৰ কৰিহে আহিম আক', আহোঁতে দেৰী হ'ব, চিন্তা নকৰিব।" এই বুলি কৈ সি নিজৰ ঘৰলৈ গুচি গ'ল।

তাৰ পাছত সি মগনিয়াৰৰ ভেশ লৈ ওলালহি। আৰু কথা মতে কৰাইচে তাক এশ মুদ্ৰা দিলে।

তাৰ পাছত আহিল এজন বৰাগী, আৰু তাকো কৰাইচে এশ মুদ্ৰা দিলে।

তাৰ পাছত—খোৰা-লোৰাৰ পৰত আহিল এটা কলা, এটা কণা, আৰু এটা খোঁৰাকে আদি কৰি দহটামান ভিখাৰী। আৰু কৰাইচে প্ৰতিটো ভিখাৰীক এশ মুদ্ৰাকৈ দিলে।

দিকৰাইচ উলহৰ মাদলি হেন হ'ল। হয়, হৰকান্তৰ কামৰ জৱাব নাই। বাপ্‌কা বেটা, চিপাই কা ঘোঁৰা। হয়।

দিয়ন-দাতাই কৰাইচক ক'লে, "হেৰি, আপোনাৰ দান-ধৰ্মৰ দেখিছোঁ তুলনা নাই। আজিয়েই বোধকৰোঁ দহহেজাৰ-মান দান কৰিলে!"

"আৰে নহয় নহয় — মাত্ৰ দহহজন-মানকহে এশকৈ দিলোঁ। অৱশ্যে—এইকণ নিতউ দিব লাগে।" কৰাইচে কৈ গ'ল।

তাৰ পাছত, বেলিয়ে ভাটি দিওঁ দিওঁ হোৱাত হৰকান্ত আহিল আৰু তাৰ লগত কৰাইচো ঘৰৰ ভিতৰলৈ গ'ল। কৰাইচে হৰকান্তক ক'লে, "ঐ, মোৰ মুদ্ৰা-খিনি ওভোতাই দে।"

হৰকান্তই পাঁচশ মুদ্ৰা ওভোতাই দিয়াত কৰাইচ কণমন আচৰিত হ'ল। তাক সোধাত যেতিয়া ক'লে যে সি মাত্ৰ পাঁচবাৰহে আহিছিল, তেতিয়া কৰাইচে কৈ উঠিল, "তেনেহ'লে—বাকী পাঁচবাৰ কোন আহিছিলনো?"

"বোধকৰোঁ সিয়েই আছিল মোৰ চাকৰটো। আপুনি বাদবাকী পাঁচশ মুদ্ৰাৰ কাৰণে বিচলিত নহ'ব। মোৰ চাকৰটো অতি বিশ্বাসী। সি নিশ্চয় মুদ্ৰাখিনি ঘূৰাই দিবহি।" কৰাইচ কণমনক এই কথা কৈ, বৰমনদেউ তৎক্ষণাৎ তাৰপৰা ওলাই গুচি গ'ল।





সাহৰ দৰব

ঋষিপুৰত নীলাম্বৰ নামৰ এজন গৃহস্থ আছিল। তেওঁৰ আছিল দুজনী খীৰঁতী ম'হ। ম'হ দুজনীৰপৰা পোৱা গাখীৰ বেচি নীলাম্বৰে কথমপি পৰিয়ালখন চলাই আছিল। এবাৰ বাৰিষাকালি ম'হ দুজনীক কিবা অচিন বেমাৰত ধৰি মাৰি পেলালে আৰু লগে লগে নীলাম্বৰৰো আৰু উপায় নোহোৱা হ'ল। বাধ্যত পৰি নীলাম্বৰে আৰ-তাৰ-বহুতৰেপৰা টকা ধাৰিলৈ ল'লে আৰুচাওঁতে চাওঁতে পাওনা-দাৰহঁতেও নীলাম্বৰক আগুৰি ধৰিলে।"

এনিশা ল'ৰা-ছোৱালীহঁত টোপনি যোৱাৰ পাছত নীলাম্বৰে তাৰ পৰিবাৰক ক'লে, "শুনা, মই কোনেও নজনা-নেদেখাকৈ আজিয়েই ৰাতিৰ পৰতে চহৰলৈ যাম আৰু বিয়াত পোৱা আঙঠি, খাৰু আদি বেচি সেই মূলধনেৰে তাত কিবা বেহা-বেপাৰত ধৰিম। যিদিনা মোৰ ধাৰ-ধুৰ সম্পূৰ্ণ পৰিশোধ হ'ব, সেই দিনাহে পুনৰ মই গাঁৱলৈ উভতি আহিম।"

নীলাম্বৰৰ পৰিবাৰ কনকবল্লীয়ে উচুপি উচুপি ক'লে, "তুমি ঘৰত নথকা হ'লে মই একমুহূৰ্তও থাকিব নোৱাৰিম।"

"এই কথা নক'বা। চহৰত তোমা-লোকৰো থকা-মেলাৰ কিবা এটা বন্দৱস্ত নকৰালৈকে তোমালোক ইয়াতে থকাৰ বাদে উপায় দেখা নাই।" নীলাম্বৰে চিন্তাযুক্ত মাতেৰে ক'লে।

"আৰু যদি চহৰলৈ গৈ বেপাৰত লাভৰ সলনি লোকচান হয়, তেতিয়া আমাৰ কি হ'ব? তুমি এনেকৈ নাযাবা।" কনকবল্লী কান্দি হৈ পৰিল।

সুৰেন্দ্ৰকুমাৰ মহন্ত

ঘৈণীয়কৰ কথাৰ উত্তৰত দাং খাই উঠি নীলাম্বৰে ক'লে, "তুমি এইদৰে মোক কাপুৰুষালিৰ দৰবহে খুৱাইছা। পাৰিলে সাহৰ দৰব দিয়া।" আৰু ঠিক এনেতে ঘৰৰ দুৱাৰত খটখটোৱাৰ শব্দ উঠিল।

"কোন—?" বুলি কৈ নীলাম্বৰে দুৱাৰ খুলিয়েই দুখোজ পিছুৱাই আহিল। দুৱাৰৰ বাহিৰত এজনী ভয়ংকৰ কুঁজী ভূতুনীক দেখি নীলাম্বৰে ঠিৰ ঠিৰকৈ কঁপিবলৈ ধৰিলে।

"জ্বৰৰ দৰব, কাহৰ দৰব বা মূৰ-কামোৰণিৰ দৰবো জানো। পিছে— সাহিয়াল ভয়াতুৰ কৰাৰ দৰবো হয়নে বাৰু?" কুঁজী ভূতুনীয়ে নীলাম্বৰক সুধিলে।

নীলাম্বৰৰ মুখৰপৰা মাত নোলাল।

তেতিয়া কনকবল্লীয়ে সাহসৰে সৈতে কুঁজী ভূতুনীক ক'লে, "এই কথাটো জানিবলৈ দুপৰ নিশা ওলাইছাহিনে ইয়ালৈ?"

কুঁজী ভূতুনীয়ে হাতযোৰ কৰি কনক-বল্লীক ক'লে, "আই মোৰ! তোমাৰ পুইণ হ'ব। সেই দেৱাই তুমি তোমাৰ পতিক খুউৱাৰ সলনি মোক খুৱাই মোৰ মনৰপৰা ভয়-ভীত গুচোৱা আই। মোৰ গোটেই জীৱনকাল ডৰ-ভয় কৰি কাটিব ধৰিছে। মই মৰিশালি এৰি গাঁৱলৈ সোমাইছোঁহি আৰু এয়ে প্ৰথমবাৰ মই গাঁও পাইছোঁহি। আন ভূতুনীহঁতে গাঁৱলৈ

সোমাই আছি নানান উৎপাৎ-উপদ্ৰৱ কৰে। জুই দেখিলেই মোৰ চকুৰে নমনা হয়, মানুহ দেখিলে কলিজা কঁপে।”

ডকৰাতী কুঁজী ভূতুনীৰ ডকৰা কথা শুনি কনকবল্লীৰ মনত সাহস বাঢ়িল। তাই পাকঘৰলৈ গ'ল আৰু অলপ তেঁতেলী জালুক আৰু নিমখ মিলাই পটাত পিহি, পানীৰ লগত মিলাই, সেই পানী সৰু কলহ এটাত ভৰাই কুঁজী ভূতুনীক দি ক'লে, “এয়া লোৱা, পি খোৱা, এয়ে হ'ল ডৰ গুচি সাহ হোৱাৰ দেৰাই।”

কুঁজী ভূতুনীয়ে চকু মুদি একে শোহাই মচলা-পানীখিনি পি খালে আৰু এন্ধাৰৰ মাজেদি তাইৰ লিহলিহীয়া মস্ত দীঘল হাত বঢ়াই এটা ডাঙৰ মোনা আনিলে আৰু সেই মোনাটো কনকবল্লীৰ হাতত গটাই দি ক'লে, “হেঁা, এয়া লোৱা, তোমাৰ দেৰাইৰ দাম।”

সোঁ সোঁকৈ ভিতৰৰপৰা শব্দ উঠা মোনাটোৰ মূল্য উমানতে ধৰিব পাৰি কনকবল্লীয়ে গুচি যাবলৈ ধৰা কুঁজী ভূতুনীক ক'লে. “ৰ'বা, ৰ'বা—এই দেৰাই একেৰাহে তিনিদিনলৈ খাব লাগিব। কালিলৈ আকৌ আহিবা কিন্তু—।”

তাৰ পাছত কনকবল্লীয়ে কুঁজী ভূতুনীক ভালকৈ বুজাই ক'লে যে ভয়-ডৰ কিমান নিকৃষ্ট আৰু সাহ-পিত কিমান উৎকৃষ্ট। কনকবল্লীয়ে কুঁজী ভূতুনীক বহুতো বীৰতাৰ





কাহিনী শুনালে আৰু পাছদিনাও সিহঁতৰ ঘৰলৈ আহিবলৈ ক'লে।

তাৰ পাছত কুঁজী ভূতুনীয়ে নিজৰ আচল মূৰ্তি ধৰাৰ সময় হ'ল। তাই কিচ কিচ কৰে ক'লী মেকুৰী এজনীৰ ৰূপ ল'লে আৰু একেজাঁপে গুচি গ'ল।

তেতিয়া সেই মোনাটো কনকবল্লী আৰু নীলাম্বৰে খুলি চাই প্ৰায় একেলগে চিঞৰি দিলে, "ইম্—মান সোণ! সোণৰ মুদ্ৰা!" তাৰ পাছত সোণৰ মোনাটো ঘৰৰ চালৰ ওপৰত থকা সৰু কোঠাটোত লুকাই থ'লে।

পাছদিনা ৰাতিৰ পৰতে কুঁজী ভূতুনী পুনৰ কনকবল্লীহঁতৰ ঘৰলৈ আহিল আৰু ক'লে, "মোক সাহৰ দেৱাই দিয়া।"

কনকবল্লীয়ে লক্ষ্য কৰিলে যে কুঁজী ভূতুনীৰ কুঁজ অলপ কম হৈছে। কনকে ভূতুনীক সিদিনাও ভালেমান সাহসবৰ্দ্ধক সাধু শুনালে, সেই মচলা-পানী দিলে, ভূতুনীয়ে পি খালে, আৰু আন এমোনা সোণৰ মুদ্ৰা দি, ফেঁচাৰ ৰূপ ধৰি এন্ধাৰৰ মাজেদি ডেউকা কোবাই উৰি গুচি গ'ল।

নীলাম্বৰে কনকবল্লীক ক'লে, "আমি কাইলৈ আকৌ এমোনা সোণ পাম। চহৰলৈ গুচি যাওঁ ব'লা। তোমাৰ নিচিনা বুদ্ধিৰ ভঁৰাল পত্নী যাৰ, বেপাৰ-বেহাত কিহৰনো লোকচান তাৰ?"

পাছদিনা ৰাতিৰ পৰতে ভূতুনীয়ে চিঞৰি-বাখৰি থলক লগাই আহিল আৰু আহিয়েই সাহৰ দেৱাই মচলা-পানীখিনি একে শোহাই পি খালে। ভূতুনীৰ পিঠিৰ কুঁজ একেবাৰে নোহোৱা হৈছিল।

কনকবল্লীয়ে সিদিনাও ভূতুনীক সাহসৰ সাধু ক'বলৈ ধৰাত ভূতুনীয়ে ক'লে, "এইবোৰ শুনাৰ সময় নাই। এতিয়াই মৰিশালিলৈ যাব লাগিব, আৰু তাত হৈ-হাল্লা কৰিব লাগিবগৈ।"

"কিন্তু আজি তুমি আমাক সোণৰ মুদ্ৰাৰ মোনা নিদিলা যে—?"

কনকবল্লীৰ কথাত উগ্ৰ খং উঠি চকু পকাই ভূতুনীয়ে তাইৰ দীঘল জিভা উলিয়াই আগৰ সোণৰ মুদ্ৰাৰ মোনা দুটা জিভাৰে চেলেকি নোহোৱ কৰি শগুণৰ ৰূপ ধৰি নোহোৱা হৈ গ'ল।

ভূতুনীৰ ৰূপ দেখি নীলাম্বৰ অচেতন হৈ বাগৰি পৰিল। কনকবল্লীয়ে নীলাম্বৰৰ চকু-মুখত পানী ছটিয়াই চেতনা ঘূৰাই আনিলে। তিমানতে কিছুমান চুবুৰীয়া তাত গোট খাইছিলহি, আৰু কথাই কথাই সাহ-বঢ়োৱা-দৰবৰ কথাটোও শুনিছিল।

তাৰ পাছত লাহে লাহে এই কথা প্ৰচাৰ হৈ পৰিল যে নীলাম্বৰৰ পত্নীৰ গাত গোসাঁনীয়ে লম্ভিছিল, আৰু সেই গোসাঁনীয়েই কনকবল্লীক সাহ-বঢ়োৱা-দৰবৰ কৌশল শিকাই থৈ গৈছিল।

পাছদিনা এজন বুঢ়া কনকবল্লীৰ কাষ চাপিল আৰু ক'লে, "কনকবল্লী· মোৰ লগৰটো হ'ল মোৰ নাতি। ই বৰ ডকুৱা মনৰ ল'ৰা। অলপ ডৰ-গুচা সাহ বঢ়োৱা দৰব দিয়াচোন।" বুঢ়াই কনকবল্লীৰ হাতত দহটকীয়া এখন গটাই দিলে।

কনকবল্লীয়ে এই কথাটি ভালকৈ বুজি পালে যে মানুহৰ সমাজখনৰ ডকুক-হঁতৰ ওচৰত সাহৰদৰব্ বেচিও সিহঁতে পেট প্ৰৱৰ্তাব নোৱৰাৰ হেতু নাই। কিয়নো—ডকুকৰ সংখ্যায়েই সমাজত অধিক, আৰু মানুহ জাতি স্বভাৱ ডকুক। গতিকে—মানুহৰ মনত আত্ম-বিশ্বাস উৎপাদনকাৰী দৰবে নিশ্চয় ভালেই বজাৰ পাব।

কথাটো কোৱাত নীলাম্বৰে কনকবল্লীক ক'লে, "ঠিক। আৰু — আৰু ন-বেহা কৰিবলৈ নগৰলৈকো যাব নালাগে। ইয়াতেই গপে সিদ্ধি তপে সিদ্ধি কৰি সমাজখনৰ সাহ বৃদ্ধিৰ বেপাৰ নিশ্চয় কৰিব পাৰিম।"

নীলাম্বৰৰ কথাত কনকবল্লীয়ে কলপ কাটি উঠা যেন পালে।



সোণ পুৰিলে ৰং

মানিকপুৰ গাঁৱৰ মাধৱ আৰু নাৰায়ণ আছিল ওচৰ চুবুৰীয়া। দুয়োজনেই মোটৰ ওপৰত শিক্ষিত; কিন্তু জীৱিকাবিহীন। বহু চেষ্টা কৰিও কোনো চাকৰি সিহঁতে নাপাই। গাঁৱতে যি কাম পালে, তাৰে সিহঁতে পেট প্ৰৱৰ্তাব ধৰিলে।

দাৰিদ্ৰ্যৰ কাৰণে নাৰায়ণৰ মনত খঙে জুই জ্বলাইছিল আৰু এই জুই সি তাৰ ঘৈণীয়েক তথা ল'ৰা-ছোৱালীহঁতক ককৰ্থনা-বিকৰ্থনা, আনকি কেতিয়াবা চৰটো-ভুকুটোকো মাৰিহে নুমাইছিল।

মাধৱো আছিল দুখীয়া, তথাপি সি তাৰ পৰিবাৰ-পৰিজনক মৰম কৰিছিল।

এদিন কিবা এটা কথাৰ পিঠিত নাৰায়ণে মাধৱক ক'লে, "হেৰাহে মাধৱ, আমাৰ এনে দুখীৰো দুখী অৱস্থাত হঠাৎ যদি কোনোবাই কিবা প্ৰকাৰে ধন-সোণ পোৱাৰ দিহা কৰি দিয়ে—কেনে ভাল কথা হ'ব কোৱাচোন?"

মাধৱে মিচিকীয়াই হাঁহি মাৰি ক'লে, "শুনা ভাই, নিজৰ শক্তিৰ ওপৰত মানুহে যেতিয়া বিশ্বাস হেৰুৱায়, একমাত্ৰ তেতিয়াইহে হঠাৎ পোৱা ধনলৈ লোভ কৰে। এনেবোৰ আজেবাজে চিন্তা কেতিয়াও নকৰিবাচোন।"

কিছুদিনৰ অন্তত এদিন দুয়ো কিবা কামত চহৰলৈ গৈ থাকোঁতে হঠাৎ নাৰায়ণে বাটৰ ওপৰত মোনা এটা দেখা পালে আৰু মোনাটো মাধৱক দেখুৱাই হাতত ল'লে। মোনাটোৰ ভিতৰত এশ সোণৰ মুদ্ৰা আছিল।

একেলগে ইমান সোণৰ মুদ্ৰা পাই

বিনন্দ বৰকটকী

উলাহত মাদলিহেন হৈ নাৰায়ণে ক'লে, "মাধৱ, চোৱা, তুমি সিদিনা মোক কিমান যে উপদেশ দিছিলা। নিশ্চয় কোনোবা দেৱী গোসাঁনীয়ে মোক আজি এইখিনি দিলে।"

মাধৱে ক'লে, "এই ধন তোমাক গোসাঁনীয়ে সঁচাসঁচিকৈ দয়া কৰি দিলেনে এই ধন আন কাৰোবাৰ হেৰাই যোৱা ধননে দেৱীয়ে আকাশৰপৰা পেলাই দিয়া ধন—কেনেকৈ ক'বা?"

"যিয়েই নহওক—মই তো পালোঁ। আমি দুয়ো এইখিনি ভগাই ল'ম।" নাৰায়ণে ক'লে।

কিন্তু মাধৱে ক'লে, "শুনা, মোনাটো গাঁৱৰ গাঁওবুঢ়াৰ ওচৰত জমা দিয়াটোহে ভাল হ'ব। এই ধন কাৰোবাৰ হেৰোৱা ধন যদি—তেওঁ ঘূৰাই পাব।"

নাৰায়ণে খঙাল মাতেৰে ক'লে, "মাধৱ, যিখিনি ভাগ্যক্ৰমে পালোঁ—সেইখিনিৰপৰা এনেকৈ মোক বঞ্চিত কৰাৰ চেষ্টা নকৰিবা। তুমি যদি ভাগ নোলোৱা তেনেহ'লে মই দুখ পাম।"

মাধৱে আন একো মন্তব্য নকৰাকৈ নাৰায়ণৰপৰা পঞ্চাছটা সোণৰ মুদ্ৰা ল'লে।

তাৰ পাছত নাৰায়ণে চহৰলৈ গৈ নিজৰ আৰু ঘৈণীয়েকৰ কাৰণে নতুন কাপোৰ-কানি কিনিলে; কিন্তু মাধৱে এটা মুদ্ৰাও খৰচ নকৰিলে।

এমাহমানৰ পাছত এদিন মাধৱে নাৰায়ণক ক'লে, নাৰায়ণ, মই নগৰৰ কাছাৰীত কামত লাগিলোঁ।"

"কেনেকৈ পালানো?" নাৰায়ণে আচৰিত হৈ সুধিলে।

"কওঁ শুনা।" মাধৱে ক'লে, "সিদিনা তুমি যে সোণৰ মুদ্ৰা পঞ্চাছটা দিছিলা, সেইখিনিৰ লগত মোৰ পৰিবাৰৰ সাঁচতীয়া পঁচিছটা মুদ্ৰা লগ লগাই গাঁওবুঢ়াক পঞ্চাছটা মুদ্ৰা দিলোঁ। আৰু সকলো কথা ভাঙি-পাতি ক'লোঁগৈ তেওঁক।"

"তাৰ মানে—মই লোৱা পঞ্চাছটা সোণৰ মুদ্ৰাৰ কথাটোও গাঁওবুঢ়াই জানিলে। নহয়নে?" নাৰায়ণে সুধিলে।

"হয়, জানিলে। কিন্তু তেওঁ তোমাৰ ওপৰত অলপো বিতুষ্ট হোৱা নাই। এই ধনৰ মোনাৰ গৰাকী আমাৰ গাঁৱৰে এজন বেপাৰীৰ তথা জমিদাৰ। তেওঁ নগৰত বেহা-বেপাৰ কৰে। ঘটনাৰ কথা শুনি ৰাম সহায় ডাঙৰীয়াই মিচিকীয়াই হাঁহি মাৰি সুধিছিল যে বাকী পঞ্চাছটামুদ্ৰা ক'ত আছে। মই সেইখিনি চাৰি-পাঁচ মাহৰ ভিতৰত পৰিশোধ কৰিম বুলি নিজেই গাত লৈছোঁ।" মাধৱে ক'লে।

"কিন্তু—চাকৰিটো কেনেকৈ পালা—নক'লা যে—?" নাৰায়ণে সুধিলে।

"তাকে তো ক'বলৈ ধৰিছোঁ। মোৰ সততাত মুগ্ধ হৈ আমাৰ ৰামসহায় ডাঙৰীয়াই মোক চাকৰিটো দিয়ালে। কাছাৰীৰ ধন-ভঁৰালী তেওঁৰ চিনাকি মানুহ। তাত একেলগে একলাখ মোহৰ সদায় থাকে, কেতিয়াবা ঢেৰ বেছি। গতিকে—সৎ তথা বিশ্বাসী মানুহ এজন লাগে বুলি মোক কামটো দিয়ালে তেওঁ।"

শুনি নাৰায়ণে মুহ্যমান হৈ পৰিল। মাধৱক নাৰায়ণে ক'লে, "তেনেহ'লে—মোক এৰি নগৰলৈ গৈছা—?"

"নহয়, নাৰায়ণ—" মাধৱে ক'লে, "মই ৰামসহায়জীক তোমাৰ কথা বুজাই কোৱাত তেওঁ ক'লে, ঠিক আছে, যি হ'ল—সেই ভুলৰ কথা পাহৰি তোমাৰ বন্ধুক মোৰ কাৰবাৰত দেহে-কেহে লাগিবলৈ কোৱাগৈ। তেওঁক বুজাই কোৱাগৈ যে সোণ পাই নহয়, সোণ পুৰিলেহে ৰং চৰে।"

কেইদিনমানৰ অন্তত মাধৱ আৰু নাৰায়ণেও নিজ নিজ পুত্ৰ পৰিবাৰকো লগত লৈ ৰংমনে নগৰলৈ বুলি খোজ ল'লে—নতুন জীৱনৰ ৰং বিচাৰি।



কি ৰং? বিণ্টুৰং!
কিন্টুৰং নামৰ প্ৰাচীন পৃথিৱীৰ অন্যতম স্তন্যপায়ী প্ৰাণী, যি-প্ৰাণীক ভালুক-বিড়ালী বুলিও কোৱা হয়, হাতেৰে ধৰিব পৰা নেজ আছে।
মেকুৰী-মোচ!
দেখাত অতি সাধাৰণ হ'লেও মেকুৰীৰ কাৰণে মেকুৰীৰ মোচকিডালি অসাধাৰণ। কোনোবা গাঁতৰ ভিতৰত সোমাব পাৰিবনে নাই মেকুৰীৰ মোচেই মেকুৰীক কৈ দিয়ে।
মোচকোচা যদি গাঁতৰ বা সুৰংগৰ মুখৰ ভিতৰ নাপায়গৈ মেকুৰীয়ে গমিব যে তাত সোমোৱাৰ সকাম নাই।
অতি ভয়ংকৰ!
আফ্ৰিকাৰ অৰণ্যৰ সকলো জন্তু-জানোৱাৰতকৈ 'কেপ' নামৰ বনৰীয়া ম'হ অতি ভয়ংকৰ বুলি জনাজাত। ই ঘণ্টাত ৬০ কিল'মিটাৰ বেগেৰে মূৰেৰে খুন্দা মাৰিব পাৰে। ২'৫ মিটাৰ ওখ আৰু এক টন ওজনৰ এই ভয়ংকৰ বনৰীয়া ময়মত্ত ম'হক আনকি পশুৰাজ সিংহয়ো সসন্মানে বাট এৰি আঁতৰি দিয়ে!

সতিকৈ' মৰমৰ এই উপহাৰ
দিয়েনে কি ভাবি চাওক
পুৰস্কৃত হৈ থকা আপোনাৰ
চেনেহৰজনে পাওক

চান্দমামা

তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক
অসমীয়া, বাংলা, ইংলিছ, গুজৰাটি, হিন্দী, কন্নড়, মালায়ালম্,
মৰাঠী, ওড়িয়া, সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক

বছৰেকীয়া বৰঙণি :

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৭৫·০০ টকা ✱ উৰা-জাহাজ যোগে ১৫০·০০ টকা

ফ্ৰান্স, ছিংগাপুৰ, ইংলেণ্ড, আমেৰিকা, পশ্চিম
জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে ৮১·০০ টকা ✱ উৰা-জাহাজ যোগে ১৫০·০০ টকা

টকা-পইচা
চান্দমামা পাবলিকেশ্বনছে পোৱাকৈ
কেৱল ডিমাণ্ড ড্ৰাফট নাইবা মনিঅৰ্ডাৰ যোগে তলৰ ঠিকনালৈ পঠাব :

চাৰ্কুলেশ্বন মেনেজাৰ
চান্দমামা পাবলিকেশ্বনছ
চান্দমামা বিল্ডিংছ
বড়াপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৯ চনৰ নভেমবাৰ সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৯ চনৰ ছেপটেম্বাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল পʼষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৯ চনৰ জুলাই মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : ভাঙন

দ্বিতীয় ফটো : গঢ়ন

পুৰস্কাৰ প্ৰাপক : পল্লৱী শইকীয়া, হোলি চাইল্ড স্কুল, গুৱাহাটী।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চা ন্দ মা মা

ভাৰতত বছৰেকীয়া বৰঙণি ৩৬.০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.

Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation


JUNIOR
QUEST
Where finding out is fun
In your AUGUST Issue...
HIDDEN HEROES:
an Independence Day quiz
you'll love to win!
Join hands in the Struggle for Freedom
Move with the Moonwalk Man
Quiz your way down the rivers
Look back at young Jawaharlal
PRICE Rs 5/-
BUY TODAY

CHANDAMAMA
(Assamese)

September 19
Regd. No. TN/145 18

Gautam Goswami (7.9.89)